# কেম্পাছ

an occasional news paper of north lakhimpur college publication

নৱাগত আদৰণি সভা
বিশেষ
সংখ্যা ২০২৩

(ছাত্ৰ একতা সভাৰ সৌজন্যত এই সংখ্যাৰ 'কেম্পাছ' বিনামূলীয়াকৈ বিতৰণ কৰা হৈছে)

CAMPUS, 1st September, 2023, Friday

নৱম বছৰ, প্ৰথম সংখ্যা, ১ ছেপ্টেম্বৰ, ২০২৩, শুকুৰবাৰ, মূল্য ঃ ০০




কলেজ চৌহদৰ সংৰক্ষিত বনাঞ্চলত নকৈ বাহ সজা এটি ক'লা ডিঙিৰ টোকোৰা চৰাই

## মুখ্য অতিথি ঃ প্ৰফেছাৰ ড° অৰনী কুমাৰ ভাগৱতী



মহাবিদ্যালয়ৰ নৱাগত আদৰণি সভাত এইবাৰ মুখ্য অতিথি হিচাপে অংশ ল'ব গুৱাহাটী বিশ্ববিদ্যালয়ৰ ভূগোল বিভাগৰ অৱসৰপ্ৰাপ্ত মুৰব্বী অধ্যাপক ড° অৰনী কুমাৰ ভাগৱতীয়ে। এগৰাকী পৰিৱেশবিদ তথা প্ৰকৃতিপ্ৰেমী হিচাপে খ্যাতি থকা ড° ভাগৱতীয়ে কেইবাখনো গ্ৰন্থ প্ৰণয়ন কৰি অসমীয়া গ্ৰন্থৰ জগতখনক সমৃদ্ধ কৰিছে। তাৰে ভিতৰত 'অসমৰ ভূগোল', 'প্ৰকৃতিৰ অনুকূলে-প্ৰতিকূলে' আদি উল্লেখযোগ্য।

# নৰ্থ লখিমপুৰ কলেজৰ নৱাগত আদৰণি সভা, ২০২৩

## সাধাৰণ সম্পাদকৰ আদৰণি ভাষণৰ পূৰ্ণপাঠ

'তুমি নতুন পুৰুষ, তুমি নতুন নাৰী
অনাগত দিনৰ তুমি জাগ্ৰত প্ৰহৰী।'

নৰ্থ লখিমপুৰ কলেজ (স্বাঃ) ছাত্ৰ একতা সভা আৰু মহাবিদ্যালয়ৰ পৰিয়ালবৰ্গই মহাবিদ্যালয়ৰ প্ৰতিষ্ঠা দিৱস আৰু ২০২৩-২৪ শিক্ষাবৰ্ষৰ নৱাগতসকলক আদৰাৰ উদ্দেশ্যে অনুষ্ঠিত কৰা মুকলি সভাৰ সন্মানীয় সভাপতি মহোদয় (অধ্যক্ষ বিমান চন্দ্ৰ চেতিয়া, ন.ল.ম. (স্বাঃ) উদ্বোধক, মহাবিদ্যালয় পৰিচালনা সমিতিৰ সন্মানীয় সভাপতি ড° মুকুন্দ ৰাজবংশী মহোদয়, মুখ্য অতিথি বিখ্যাত ভূগোলবিদ, গুৱাহাটী বিশ্ববিদ্যালয়ৰ প্ৰাক্তন অধ্যাপক ড° অৰনী কুমাৰ ভাগৱতী মহোদয়, সন্মানীয় অতিথি হিচাপে আমাৰ মাজত উপস্থিত থকা অসম চৰকাৰৰ মাননীয় শিক্ষামন্ত্ৰী ডাঃ ৰণোজ পেগু ডাঙৰীয়া, আমন্ত্ৰিত অতিথি লখিমপুৰ বিধানসভা সমষ্টিৰ সন্মানীয় বিধায়ক শ্ৰীযুত মানৱ ডেকা ডাঙৰীয়া, নৰ্থ লখিমপুৰ কলেজ (স্বাঃ) ছাত্ৰ একতা সভাৰ সভাপতি ৰবিন শৰ্মা ডাঙৰীয়া, মোৰ সহযোগী ছাত্ৰ একতা সভাৰ অন্যান্য বিষয়ববীয়াসকল, শ্ৰদ্ধাৰ শিক্ষাগুৰুসকল, মহাবিদ্যালয়ৰ কৰ্মচাৰীবৃন্দ, উপস্থিত ন-পুৰণি অগ্ৰজ, অনুজ তথা মোৰ সহপাঠীবৃন্দ।

সৰ্ব প্ৰথমে আপোনালোক সকলোলৈকে নৰ্থ লখিমপুৰ কলেজ (স্বাঃ) ছাত্ৰ একতা সভাৰ তৰফৰ পৰা আন্তৰিক কৃতজ্ঞতা আৰু অভিনন্দন জ্ঞাপন কৰিছোঁ আৰু যিসকল মহান ব্যক্তিৰ অক্লান্ত প্ৰচেষ্টা, কষ্ট আৰু ত্যাগৰ বিনিময়ত মহাবিদ্যালয়খনে আজি এই পৰ্যায় পাইছেহি সেইসকল মহান ব্যক্তিলৈ গভীৰ শ্ৰদ্ধা নিবেদিছো।

হে নৱাগত সতীৰ্থবৃন্দ...

আমাৰ সপোনৰ দেৱদাৰু নগৰীলৈ আপোনাক স্বাগতম। যিখন দেৱদাৰু নগৰীৰ ছাঁত বহি শত সহস্ৰ ছাত্ৰ-ছাত্ৰীয়ে লভিলে নতুন জীৱন সেইখন দেৱদাৰু নগৰীলৈ আপোনাক স্বাগতম। ১৯৫২ চনতে প্ৰতিষ্ঠা হোৱা, ২০১৩ চনতে স্বায়ত্তশাসিত মহাবিদ্যালৰ মৰ্যদাপ্ৰাপ্ত অসমৰ প্ৰথমখন স্বায়ত্তশাসিত মহাবিদ্যালয়লৈ আপোনালোকক স্বাগতম। প্ৰতিষ্ঠাকালৰে পৰা প্ৰায় সাতটা দশক জুৰি অসমৰ প্ৰতিটো কোণলৈ জ্ঞানৰ পোহৰ বিলোৱা আমাৰ আবেগৰ দেৱদাৰু নগৰীলৈ আপোনাক স্বাগতম। অশান্ত সময়ৰ সাংঘাতিক প্ৰত্যাহ্বানকো নেওচি পবিত্ৰ বট বৃক্ষৰ দৰে থিয় হৈ থাকিবলৈ সক্ষম হোৱা দেৱদাৰু নগৰীলৈ আপোনাাক স্বাগতম।

প্ৰিয়, এন. এলচিয়ান....

.................................শেষাংশ ৮ পৃষ্ঠাত

## কলকাতাত নৰ্থ লখিমপুৰ কলেজৰ উদ্যোগত আন্তঃৰাষ্ট্ৰীয় আলোচনা-চক্ৰ

### পাঁচখন গ্ৰন্থ উন্মোচন

### বংগ-অসম সাংস্কৃতিক বিনিময় অনুষ্ঠান




আলোচনা-চক্ৰৰ এগৰাকী সমল ব্যক্তি বাংলাদেশৰ শিক্ষক প্ৰশিক্ষণ প্ৰতিষ্ঠানৰ অধ্যাপক চামচুদ্দিন শিশিৰ

**নিজা প্ৰতিবেদক ঃ** নৰ্থ লখিমপুৰ কলেজৰ অসমীয়া বিভাগ আৰু ছেইণ্ট প'লচ কেথেড্ৰেল মিছন কলেজৰ বাংলা বিভাগৰ যৌথ উদ্যোগত কলকাতাত ২৫ আৰু ২৬ মাৰ্চ তাৰিখে এক আন্তঃৰাষ্ট্ৰীয় আলোচনা-চক্ৰ অনুষ্ঠিত হৈ যায়। 'ভাৰত উপ-মহাদেশৰ ভক্তি সাহিত্য' শীৰ্ষক এই আলোচনা-চক্ৰত দেশ বিদেশৰ প্ৰায় ১৮০ গৰাকী ব্যক্তিয়ে গৱেষণা পত্ৰ উপস্থাপন কৰে। ছেইণ্ট প'লচ কলেজৰ প্ৰেক্ষাগৃহত অনুষ্ঠিত প্ৰথম দিনাৰ প্ৰথম কাৰ্যসূচী উদ্বোধনী অনুষ্ঠানটো আঁত ধৰে ছেইণ্ট প'লচ কলেজৰ বাংলা বিভাগৰ মুৰব্বী ড° শেখ মকবুল ইছলামে। আদৰণি ভাষণ প্ৰদান কৰে উক্ত কলেজৰ অধ্যক্ষ অধ্যাপক দেৱাশিষ মণ্ডলে। উদ্বোধনী ভাষণ প্ৰদান কৰে বাংলা বিভাগৰ অৱসৰপ্ৰাপ্ত অধ্যাপক দীনেশ চন্দ্ৰ খানে। আলোচনা-চক্ৰত বীজ ভাষণ প্ৰদান কৰে ক্ৰমে বাংলাদেশৰ শিক্ষক প্ৰশিক্ষণ প্ৰতিষ্ঠানৰ অধ্যাপক চামচুদ্দিন শিশিৰ আৰু গুৱাহাটী বিশ্ববিদ্যালয়ৰ অধ্যাপক ড° বিমল মজুমদাৰে। উদ্বোধনী অনুষ্ঠানত বক্তব্য আগবঢ়োৱা আন ব্যক্তিসকল হ'ল ৰেভাৰেণ্ড সৈকত নাথ, সুভেন্দু কাঞ্জীলাল, গৌতম বেনাৰ্জী আৰু ড° জয়া মুখাৰ্জী। আলোচনা-চক্ৰৰ লগত সংগতি ৰাখি এক গ্ৰন্থ উন্মোচনী সভাও অনুষ্ঠিত। এই অনুষ্ঠানত বাসুদেৱ দাস প্ৰণীত 'শ্ৰীশ্ৰী শংকৰদেৱ' নামৰ গ্ৰন্থ এখন উন্মোচিত হয়। লগতে ড° শেখ মকবুল ইছলাম সম্পাদিত 'বিষ্ণু

.................................শেষাংশ ৮ পৃষ্ঠাত

## অধ্যক্ষৰ আদৰণি ভাষণৰ পূৰ্ণপাঠ

মাননীয়,

নৰ্থ লখিমপুৰ মহাবিদ্যালয় (স্বায়ত্তশাসিত)ৰ 2023 বৰ্ষৰ নৱাগত আদৰণি সভাৰ উদ্বোধক তথা নৰ্থ লখিমপুৰ মহাবিদ্যালয়ৰ পৰিচালনা সমিতিৰ সভাপতি ড° মুকুন্দ ৰাজবংশী ডাঙৰীয়া, আমাৰ নিমন্ত্ৰণ ৰক্ষা কৰি আমাৰ মাজত উপস্থিত হোৱা মুখ্য অতিথি তথা গুৱাহাটী বিশ্ববিদ্যালয়ৰ অধ্যাপক ড° অৰনী কুমাৰ ভাগৱতী ডাঙৰীয়া, বিশিষ্ট অতিথি তথা অসম চৰকাৰৰ মাননীয় শিক্ষামন্ত্ৰী ডাঃ ৰণোজ পেগু মহোদয় আৰু লখিমপুৰ বিধানসভা সমষ্টিৰ বিধায়ক শ্ৰীযুত মানৱ ডেকা মহোদয়, নিমন্ত্ৰিত অতিথিসকল, মহাবিদ্যালয়ৰ উপাধ্যক্ষ ৰঞ্জন কুমাৰ বৰা আৰু বাণীকান্ত কোঁৱৰ মহোদয়, অধ্যাপক- অধ্যাপিকাসকল, কৰ্মচাৰীসকল আৰু মৰমৰ ছাত্ৰ-ছাত্ৰীসকল।

প্ৰথমেই মই চলিত শিক্ষাবৰ্ষত মহাবিদ্যালয়ত নামভৰ্তি কৰা নৱাগত ছাত্ৰ-ছাত্ৰীসকলক মহাবিদ্যালয়লৈ আনুষ্ঠানিকভাৱে আদৰণি জনাইছোঁ। অসমৰ উচ্চ শিক্ষাৰ প্ৰাণকেন্দ্ৰ স্বৰূপ নৰ্থ লখিমপুৰ কলেজৰ পৰিয়ালৰ এজন সদস্য হিচাপে তোমালোকক আমি আদৰি লৈছোঁ। মহাবিদ্যালয়ৰ আজিৰ এই বিশেষ দিনটোত ন-পুৰণি ছাত্ৰ-ছাত্ৰীসকলৰ মিলনৰ এই সৌহাদ্যপূৰ্ণ অনুষ্ঠানৰ সৈতে তোমালোক আত্মীয় হৈছা বুলি আমি আশা কৰিছোঁ। এই পৱিত্ৰ পৰিৱেশৰ মাজতে তোমালোকে জীৱন গঢ়াৰ কছৰৎ কৰিবা বুলি আশা কৰিছোঁ।

নৰ্থ লখিমপুৰ কলেজ হিচাপে বোধকৰোঁ এয়াই অন্তিমটো নৱাগত আদৰণি সভা, আৰু মাত্ৰ এটা মাহৰ পাছতেই এই প্ৰতিষ্ঠানে বিশ্ববিদ্যালয়ৰ মৰ্যাদা লাভ কৰিব। আজিৰ এই শুভ ক্ষণত আটাইকে নতুন শৈক্ষিক যাত্ৰাৰ বাবে মোৰ শুভেচ্ছা আৰু অভিনন্দন জ্ঞাপন কৰিছোঁ।

মানৱ জীৱন গঢ়াত শিক্ষা আৰু জ্ঞানৰ গুৰুত্ব অপৰিসীম। শিক্ষা আৰু জ্ঞানেই মানুহক পশুৰ পৰা পৃথক কৰিছে। মানৱ সভ্যতাৰ ইতিহাস অধ্যয়ন কৰিলে দেখা যায় যে মানুহে প্ৰকৃতি জগতৰ পৰা শিক্ষা লাভ গ্ৰহণ কৰিছিল আৰু সেই শিক্ষাৰ ভিত্তিতে সভ্যতাৰ বিকাশ ঘটিছিল। পৰৱৰ্তী সময়ত আনুষ্ঠানিক শিক্ষাৰ বিকাশে মানৱ সভ্যতাৰ বিকাশ ত্বৰান্বিত কৰিছিল। অৱশ্যে ইয়াৰ সমান্তৰালভাৱে মানুহৰ মূল্যবোধ আৰু মানৱীয়তাৰ ব্যাপক পৰিৱৰ্তন হৈছে বুলি বিভিন্ন মহলে অভিযোগো কৰি আহিছে। তদুপৰি আধুনিক শিক্ষা ব্যৱস্থাই মানুহক যান্ত্ৰিক কৰি তুলিছে। অৱশ্যে ইয়াৰ মাজতো একাংশ ছাত্ৰ-ছাত্ৰীয়ে ব্যতিক্ৰমী চিন্তাৰে ব্যক্তি তথা সমাজক সমৃদ্ধ কৰি আহিছে। তেওঁলোকে নিজৰ প্ৰতিভা আৰু মৌলিক চিন্তাৰে ব্যক্তিত্বৰ বিকাশত মনোনিৱেশ কৰি আহিছে। এনে মানসিকতাৰ শিক্ষাৰ্থীয়েই ভৱিষ্যতে সমাজ জীৱনলৈ গুৰুত্বপূৰ্ণ অৱদান আগবঢ়াব পাৰে। সেয়ে আমাৰ ছাত্ৰ-ছাত্ৰীসকলে পুথিগত শিক্ষাৰ লগতে বৌদ্ধিক, সাংস্কৃতিক দিশেৰে সমৃদ্ধিশালী হ'বই লাগিব। এই প্ৰেক্ষাগৃহত উপস্থিত তোমালোকৰ মাজৰ পৰাই এনে এচাম ছাত্ৰ-ছাত্ৰীৰ জন্ম হ'ব বুলি আমাৰ গভীৰ বিশ্বাস।

1952 চনতে প্ৰতিষ্ঠা লাভ কৰা মহাবিদ্যালয়খনিয়ে প্ৰতিষ্ঠা কালৰে পৰা অঞ্চলটোত গুণগত শিক্ষাৰ প্ৰসাৰত গুৰুত্ব দি আহিছে। ছাত্ৰ-ছাত্ৰীসকলক কেৱল পুথিগত শিক্ষাৰ মাজতে আৱদ্ধ নাৰাখি ব্যৱহাৰিক জীৱনৰ বিভিন্ন

.................................শেষাংশ ৮ পৃষ্ঠাত

# নৱাগত ছাত্ৰ-ছাত্ৰীৰ অনুভৱ

## দেৱদাৰুৰ দেশ দেৱদাৰু নগৰী

### মনোমোহা প্ৰকৃতিৰ মাজত মই

**দীক্ষিতা নন্দা হাজৰিকা,** উদ্ভিদ বিজ্ঞান বিভাগ

মই ২০২২-২৩ বৰ্ষৰ উচ্চতৰ মাধ্যমিক চূড়ান্ত পৰীক্ষাত উত্তীৰ্ণ হৈ অসমৰ অগ্ৰণী মহাবিদ্যালয়সমূহৰ অন্যতম নৰ্থ লখিমপুৰ মহাবিদ্যালয় (স্বা.)ত বিজ্ঞান শাখাত নামভৰ্তি কৰোঁ। প্ৰাকৃতিক সৌন্দৰ্যৰে ভৰা শিক্ষাদানৰ গৰিমাৰে উজ্জ্বল মহাবিদ্যালয়খনত প্ৰথমটো খোজ দিয়েই কোনোবা দূৰণিৰ শিক্ষানুষ্ঠানত পঢ়াৰ আশা পাহৰি পেলালোঁ। সৰুৰে পৰা এই সেউজীয়াবোৰৰ প্ৰতি থকা দুৰ্বলতাৰ বাবে মই উদ্ভিদ বিজ্ঞান বিভাগটোৰ প্ৰতি আকৰ্ষিত হৈ তাকেই সন্মানৰ বিষয় হিচাপে বাছি লওঁ। মোৰ কাৰণে আমাৰ মহাবিদ্যালয়ৰ উদ্ভিদ বিজ্ঞান বিভাগটি সকলো বিভাগতকৈ ধুনীয়া। নানা ধৰণৰ মনোমোহা গছ-লতিকাৰে ভৰা বিভাগটোত দুৰ্লভ প্ৰজাতিৰ উদ্ভিদ দেখিবলৈ পোৱা যায়। বিভাগৰ শিক্ষকসকলো বহুতেই ভাল। তেওঁলোকে আমাক নিজৰ সন্তানৰ দৰে ভাবি শিক্ষাদানৰ চেষ্টাত ব্ৰতী হৈ থকা দেখিবলৈ পোৱা যায়। আমাৰ বিভাগৰ জ্যেষ্ঠ দাদা-বাইদেউসকলেও নিজৰ ভাইটি-ভণ্টিৰ দৰে আমাক মৰম কৰে আৰু বিভিন্ন ক্ষেত্ৰত পথ প্ৰদৰ্শকৰ ভূমিকা পালন কৰে। তেওঁলোকৰ পথ প্ৰদৰ্শনতে আমি বৰ্তমানলৈকে বিভাগটোত কোনো অসুবিধাৰ সন্মুখীন হ'বলগীয়া হোৱা নাই। এই মহাবিদ্যালয়ৰে এটি ছাত্ৰীনিবাসৰ আবাসী হিচাপে জীৱনত একোতে নিজৰ মনৰ ভয়ৰ বাবে ক'তো আগনবঢ়া ছোৱালী এগৰাকী হৈ আবাসৰ ইটো-সিটো কাৰ্যসূচীত জনা-নজনাভাৱে যোগ দি সময় পাৰ কৰোঁ। কথাতে কয় বোলে হোষ্টেলৰ জীৱন পৰিপূৰ্ণ জীৱন। পুৰণিক বিদায় আৰু নতুনক আঁকোৱালি লোৱাটো এক চিৰাচৰিত নিয়ম। আদৰণি অনুষ্ঠানসমূহ তাৰে অংশ বিশেষ। ঘৰৰ চাৰিবেৰৰ মাজত গুণগুণোৱা গানটো, নভঙা ককালৰ নাচোনো যে এসময়ত সংগ্ৰামৰ মাজত স্বাধীনতা বিচাৰি অহা লগৰবোৰৰ দৰে ময়ো নিজৰ ঠিকনা বিচাৰি মহাবিদ্যালয়খনৰ সন্মুখত খোজ দিয়াৰ মাত্ৰে সপোনবোৰৰ ঠিকনা বিচাৰি পাইছোঁ। মৌ-মাখিৰ দৰে মৌ ৰস গোটাবলৈ নিজকে ব্যস্ততাৰ পথত মহাবিদ্যালয়ৰ ছাত্ৰ হিচাপে সমৰ্পণ কৰিছোঁ। সপোনবোৰ পূৰণ কৰাৰ বাটত একতাৰে আগবঢ়াৰ লক্ষ্যৰে অনুপ্ৰেৰণাৰ আশাৰে প্ৰথম খোজ দিয়াৰ শক্তি মহাবিদ্যালয়ৰ শিক্ষাগুৰু আৰু দাদা বাইদেউসকলৰ পৰা বহুত কম দিনৰ ভিতৰত আয়ত্ত কৰিবলৈ সক্ষম হ'লো। সেয়েহে জ্যেষ্ঠ সকলক মোৰ প্ৰণিপাত জনাইছোঁ।

ভুলক নাশ কৰি শুদ্ধক আকৰ্ষণ কৰিবলৈ শিকাই দিয়া ব্যক্তি বিদ্যালয়ৰ স্তৰতে বহুকেইজনকে পাইছোঁ। কিন্তু, নৰ্থ লখিমপুৰ মহাবিদ্যালয়ত আহি যি কৰ্মনিষ্ঠাৰ দায়িত্ব পাইছোঁ সেইটো মোৰ বাবে চিৰস্মৰণীয় হৈ ৰ'ব। তাৰ বাবে মহাবিদ্যালয়ত কৰ্মৰত সকলোকে তথা বন্ধু বান্ধবীলৈ মোৰ হিয়া ভৰা আন্তৰিক ধন্যবাদ জ্ঞাপন কৰিলোঁ। নিজকে NLCian বুলি পৰিচয় দিয়াটো প্ৰতিজন NLCian ৰ বাবে এক গৌৰমময় পল। ভৱিষ্যতে মহাবিদ্যালয়খনক সকলো দিশতে আগ বঢ়াই নিয়াটো প্ৰতিজন NLCian ৰ দায়িত্ব । ঠিক সেইদৰে ময়ো মোৰ দায়িত্ববোৰ যিমান দূৰ পাৰোঁ পালন কৰি যাম ।

### দেৱদাৰু নগৰীত পঢ়াৰ ইচ্ছা পূৰণ হ'ল

**নিখিতা ৰাজখোৱা,** হিন্দী বিভাগ

দেৱদাৰু নগৰী অৰ্থাৎ নৰ্থ লখিমপুৰ কলেজ(স্বাঃ)ত পঢ়াৰ এটা হাবিয়াস সৰুৰে পৰাই মনত পুহি ৰাখিছিলোঁ। বিদ্যালয়ত পঢ়ি থকাৰ সময়ত প্ৰায়ে বন্ধুবৰ্গৰ সৈতে কলেজখনৰ বিষয়ে কথা-বতৰা পাতিছিলোঁ। হয়তো মোৰ

সুপ্ত প্ৰতিভাৰ অনুসন্ধান বিষয় হ'ব পাৰে। বিভাগৰ শ্ৰেষ্ঠ নৱাগতা হৈ উপলব্ধি কৰোঁ যে শিক্ষাৰ লগতে অন্যান্য প্ৰতিভাসমূহৰো চৰ্চাৰ প্ৰয়োজনীয়তা আছে। উচ্চ শিক্ষাৰ অন্বেষণত ঠুনুক-ঠানাককৈ খোজ থোৱা নৰ্থ লখিমপুৰ কলেজত মোৰ নিজা উদ্ভিদ বিজ্ঞান বিভাগৰ শিক্ষাগুৰুসকল আৰু জ্যেষ্ঠসকলৰ অনুশাসন তথা পথ-প্ৰদৰ্শনত মই এই নিচেই কম সময়তে বৰ আপ্লুত হৈ পৰিছোঁ। এই অভিজ্ঞতাৰে ভৱিষ্যতে শিক্ষাৰ লগতে সামাজিক দিশতো এখোজ আগবাঢ়ি যোৱাৰ চেষ্টা কৰিম।

### বুকুত হাজাৰ সপোন লৈ প্ৰথম খোজ

**বিশ্বজিত চুতীয়া,** স্নাতক প্ৰথম যান্মাসিক অণুবিদ্যুৎ বিজ্ঞান বিভাগ

দোকমোকালিতে অহা অৰুণৰ প্ৰথম কিৰণে বুকুৰ কিশলয়, চিকুন কোমল গভীৰ সাগৰৰ তলত মুকুতা বিচাৰিবলৈ শিকাই; এই জ্ঞানৰ মন্দিৰে। অন্ধাৰৰ মাজত পোহৰ বিচাৰি যাবলৈ আগ্ৰহ কৰাই অসীমৰ অফুৰন্ত বাটত। সীমাহীন জগতত সীমাৰ সাঁচ দিবলৈ শিকাই সমুদ্ৰ দিগন্তৰ মাজত।

নৰ্থ লখিমপুৰ মহাবিদ্যালয়ৰ বুকুত হাজাৰ সপোন লৈ প্ৰথম খোজ ; এই প্ৰথম খোজে আশা, বিশ্বাস, বৃদ্ধিৰ লক্ষ্যই মোৰ আকুল মনত ঠাই বিচাৰি পালে। নিজকে স্থিৰ, কঠিন, শক্তিৰ সম্ভাৰ হ'বলৈ প্ৰভাতৰ পুৱতি ৰ'দক বাৰ্তা দিলে। সত্য, ধৈৰ্যৰ, নীতিয়ে মহাবিদ্যালয়ৰ খিৰিকী খুলি ভক্তিৰ গীত গায়। কলেজৰ প্ৰকৃতিৰ মৌনতাই শীতলতাৰ অনুভৱত শিক্ষাৰ্থীৰ যন্ত্ৰণা নাশ কৰাৰ প্ৰতিচ্ছবি দেখা পাওঁ। শিক্ষাগুৰুৰ প্ৰেৰণা তথা ছাত্ৰ- ছাত্ৰীৰ প্ৰতি স্নেহ-মৰ্যদাই মহাবিদ্যায়ৰ প্ৰথম উদাহৰণ বুলিব পাৰি। নৈতিকতা, সাহিত্য, সংস্কৃতি, ক্ৰিয়া আদি জীৱনৰ লগত জড়িত উপাদানসমূহৰ গুৰুত্বই নৰ্থ লখিমপুৰ মহাবিদ্যালয়ৰ ভৱিষ্যত বাণী কৈ যায়। অসমাপ্ত দায়িত্ব লৈ অহা বন্ধু বান্ধৱীৰ মুখৰ ৰঙে প্ৰথম দিনাই অচিনাকি ভঁৰালত চিনাকি পথাৰৰ ধান হৈ আগবাঢ়ি যাবৰ অতিৰিক্ত দুখন হাত পালোঁ ।

শিক্ষাগুৰু আৰু ডাঙৰৰ প্ৰতি সৰুৰ সন্মানে মহাবিদ্যালয়ৰ উল্লেখযোগ্য সোণালী আখৰৰ শাৰীত স্থান পায়। ডাঙৰে যি সৰুৰ প্ৰতি জীৱন বৃত্তিক দক্ষতাৰ আহ্বানে, মৰম-স্নেহে মহাবদ্যালয়খনক সুকীয়া স্থান দি আহিছে ।

"সময় হ'লে আহে সময় হ'লে ঘূৰি যায়।" নিজ নিজ কামৰ মাজতো ইজনে সিজনক 'আহিলানে? ' বুলি কোৱা কথাযাৰৰ গুৰুত্ববোৰ বেছি নহ'লেও ছাত্ৰ জীৱনৰ ধুমুহাৰ মাজত ঠন ধৰি উঠা গছ জোপাৰ উদাহৰণ দিব পাৰি। শক্তিৰ অনুভৱে আশাৰ পাৰত নাচি থকা লক্ষ্যই ঘাট পাৰহৈ নিৰ্দিষ্ট স্থানত উপনীত হয়।

শিক্ষাগুৰুৰ আদৰ পিতৃ মাতৃৰ স্নেহতকৈ কোনো গুণে কম নহয়। বিভিন্ন বিভাগৰ ছাত্ৰ-ছাত্ৰীৰ লগত বন্ধুত্বৰ মধুৰ সম্পৰ্কই মনত এক নতুন আলোড়নৰ উন্মোচন কৰে। মৰহি যোৱা মৰুভূমিৰ লতাই যেনেকৈ এটোপাল পানী পাই জীপাল হয় ঠিক একেদৰেই সেই ' আহিলনে?' শব্দটোৱে আমাৰ মনটোক অক্লান্ত কৰি পেলাই ।

সেউজীয়া গছৰ পাতবোৰৰ মাজত মেলি থকা বিভিন্ন ধৰণৰ ফুলবোৰৰ দৰে বিভিন্ন ঠাইৰ পৰা অহা, অতি কম সময়ত আপোন হোৱা মানুহবোৰৰ ৰং ভিন্ন হ'লেও তেওঁলোকৰ মনৰ চিন্তা-ভাবনাবোৰে বিভিন্ন ৰঙৰ ফুলবোৰৰ দৰে কলেজখনক এক আনন্দময় জীপাল পৰিৱেশত মুখৰিত কৰে।

মহাবিদ্যালয়লৈ আহি নিজকে এক নতুন ৰূপত দেখিব পাইছোঁ। নিজকে ডাঙৰ দায়িত্বত থকা পিতৃৰ অনুভৱে বুকুত এখন নতুন ঘৰ সাজিছে। ইমান সৌন্দৰ্যবৰ্ধক আমাৰ সকলোৰে মৰমৰ দেৱদাৰু নগৰীৰ বৰ্ণনা দিবৰ বাবে মোৰ ওচৰত শব্দৰ অভাৱ। মহাবিদ্যালয়খন কিমান প্ৰিয় বুলি যদি কোনোৱে সুধে হয়তো তাৰ প্ৰত্যুত্তৰ মোৰ ওচৰত নাই। মোৰ দৰে ঠিক সকলোৱে একেদৰেই কলেজখনক ভাল পায়, এইটো মোৰ দৃঢ় বিশ্বাস। বয়সৰ হিচাপত যৌৱনৰ ধুমুহাই দেৱদাৰুৰ ছবি আঁকি ইজনে আনজনৰ মনোভাৱ জানিবলৈ যি ইচ্ছুক তাৰ উদাহৰণ আন ধৰণে নিদিলেও হয়তো সকলোৱে বুজি পাব।

দৰে এই মনোমোহা মহাবিদ্যালয়খনত পঢ়াৰ আশা বহুতো শিক্ষাৰ্থীৰ মনতো আছিলে। বৰ্তমান মই মোৰ মনে বিচৰা এই কলেজখনৰে হিন্দী বিভাগৰ ছাত্ৰী আৰু মোৰ সৌভাগ্য যে মই এইখন মহাবিদ্যালয়ত পঢ়াৰ সুযোগ লাভ কৰিলোঁ। কলেজখনলৈ অহাৰ প্ৰায় এমাহ হ'বৰ হ'ল। আজিও মনত আছে নামভৰ্তিৰ সময়ত ছাত্ৰ একতা সভাই কৰা কষ্টখিনি। কোনো স্বাৰ্থ নোহোৱাকৈয়ে কলেজখনৰ জ্যেষ্ঠ দাদা-বাইদেউসকলে আমাক কৰা সহায় সহযোগিতা চিৰ স্মৰণীয় হৈ ৰ'ব। ১ আগষ্ট ২০২৩ ত বহুতো সপোন, আশা-আকাংক্ষা বুকুত বান্ধি মহাবিদ্যালয়খনত খোজ দিছিলোঁ। কলেজীয়া জীৱনৰ প্ৰথমটো দিন হিচাপে এক বুজাব নোৱাৰা অনুভৱ হৈছিল। লাহে লাহে ন- পুৰণি বহুতো বন্ধু-বান্ধৱীক লগ পালোঁ আৰু বন্ধুত্বপূৰ্ণ সম্পৰ্ক গঢ় লৈ উঠিল। বৰ্তমানলৈকে লগ পোৱা সকলো অধ্যাপক-অধ্যাপিকাই খুব মৰমীয়াল। সঁচাকৈ শিক্ষক-শিক্ষাৰ্থীৰ এই মৰমৰ বান্ধোনটো বৰ দৰকাৰী তথা উপযোগী আৰু এইক্ষেত্ৰত নৰ্থ লখিমপুৰ কলেজ সদায় আগৰণুৱা। এনেকৈয়ে চাওতে চাওতে ১২-০৮-২০২৩ তাৰিখে হিন্দী বিভাগৰ নৱাগত আদৰণি সভাখন অনুষ্ঠিত হৈছিল। মনত অলপ ভয়ো লাগিছিল, যিহেতু Ragging ৰ ভয় এটা প্ৰায় সকলো নৱাগতৰ মনত থাকেই। কিন্তু নাই, ইয়াত তেনেকুৱা Ragging নহয়। বিভাগৰ সকলো দাদা-বাইদেউৱে মিলি খুব ধুনীয়াকৈ এই নৱাগত আদৰণি সভাখনৰ আয়োজন কৰিছিল। নৱাগত সকলে কেৱল উঠি গৈ নিজৰ পৰিচয় তথা যাৰ যি অভিৰুচি সেইমতে কোনোৱে নৃত্য কৰিছিল, কোনোৱে আকৌ গীত পৰিৱেশন কৰিছিল আৰু মই বিহু নাচিছিলোঁ। আমাৰ মাজত সৰুকৈ এখন ৰচনা প্ৰতিযোগিতাও আয়োজন কৰা হৈছিল আৰু এই সকলোবোৰৰ ভিত্তিত মই 'শ্ৰেষ্ঠ নৱাগত' সন্মান পাবলৈ সক্ষম হ'লো। নাজানো এই সন্মানৰ বাবে মই কিমানদূৰ যোগ্য কিন্তু ইয়াৰ বাবে মই হিন্দী বিভাগৰ সমূহ ব্যক্তিৰ ওচৰত চিৰ কৃতজ্ঞ হৈ ৰ'ম। ইয়াৰ লগতে ২১-০৮-২০২৩ তাৰিখে সকলো বিভাগৰ 'শ্ৰেষ্ঠ নৱাগত'সকলক ছাত্ৰ একতা সভাৰ তৰফৰ পৰা এটি গছপুলিৰে সন্মান জনোৱো হয়। সঁচাকৈ 'নৰ্থ লখিমপুৰ কলেজ (স্বাঃ)ত অধ্যয়ন কৰিবলৈ পোৱাটো মোৰ বাবে সৌভাগ্যৰ কথা। মহাবিদ্যালয়খনৰ যিফালেই চকু ফুৰাও এইফালেই ইয়াৰ প্ৰাকৃতিক সৌন্দৰ্যই বাৰে বাৰে আকৰ্ষিত কৰে। অৱশেষত মহাবিদ্যালয়খনৰ উজ্জ্বল ভৱিষৎ কামনা কৰিছোঁ। অজানিতে হৈ যোৱা ভুল পাঠক সমাজে ক্ষমাৰ দৃষ্টিৰে চাব বুলি আশা ৰাখিলোঁ।

### অনুভৱৰ আকাশে বতাহে

**কুলিন শইকীয়া,** হিন্দী বিভাগ

প্ৰত্যেক বছৰে এন. এল চিৰ বুকুলৈ আহে এজাক প্ৰেমিক চৰাই। ময়ো ঠিক ২০২০ চনতে প্ৰথমবাৰৰ বাবে এন এল চিৰ বুকুত ভৰি দিছিলোঁ। উচ্চতৰ মাধ্যমিক শিক্ষা মই নৰ্থ লখিমপুৰ কলেজৰ পৰাই গ্ৰহণ কৰিছিলোঁ। উচ্চতৰ মাধ্যমিক চূড়ান্ত পৰীক্ষাত সুখ্যাতিৰে উত্তীৰ্ণ হৈ পুনৰবাৰ অৰ্থাৎ ২০২৩ বৰ্ষত হিন্দী বিভাগত নৰ্থ লখিমপুৰ কলেজত নামভৰ্তি কৰোঁ। এইবাৰ কিন্তু কলেজৰ প্ৰথম দিনটো বৰ সুকীয়া। নতুন বিভাগ, নতুন বন্ধু-বান্ধৱী, হিন্দী বিভাগৰ বাইদেউসকলৰ লগতে আগতে নেদেখা বহুতো অচিনাকী মুখ। তাতে স্নাতক বৰ্ষৰ শিক্ষাৰ্থী হিচাপে কলেজত প্ৰথমটো দিন। মনত হেঁপাহ আৰু অদম্য সাহস লৈ শ্ৰেণীকোঠালৈ গ'লো। শ্ৰেণীকোঠাত গৈ দুই এজন বন্ধুৰ সৈতে চিনাকী হৈ থকাৰ সময়তে হিন্দী বিভাগৰ মুৰব্বী নন্দিতা বাইদেউ শ্ৰেণীকোঠালৈ আহে। বাইদেৱে শ্ৰেণীকোঠালৈ আহি পোনপ্ৰথমে সকলোৰে লগত চিনাকি হয় আৰু হিন্দী ভাষাটো বা হিন্দী বিষয়টোৰ লগত জড়িত বিভিন্ন কথা আমাক অৱগত কৰে। লাহে লাহে ক্লাছসমূহ আৰম্ভ হ'বলৈ ধৰিল। হঠাৎ এদিন জাননী পালোঁ যে, ১২ আগষ্ট তাৰিখে হিন্দী বিভাগৰ নৱাগত আদৰণি সভা। লগৰ ল'ৰা-ছোৱালী সকলোৰে মনত ফূৰ্তি কাৰণ কোনো আজিলৈকে নৱাগত আদৰণি সভাত অংশগ্ৰহণ কৰি পোৱা নাই। সেই সময়তে চিনিয়ৰ দাদা এজনে ক'লে— তোমালোকে নৱাগত আদৰণি সভাৰ দিনা নিজৰ নিজৰ পাৰদৰ্শিতা দেখুৱাব পাৰিবা আৰু তাৰ মাজৰ পৰা ল'ৰা এজন আৰু ছোৱালী এজনী শ্ৰেষ্ঠ নৱাগতা হিচাপে চিনাক্ত কৰা হ'ব। এই কথাষাৰ শুনাৰ লগে লগে সকলোৱে আলোচনা কৰিবলৈ ধৰিলে— মই নাচিম, মই গান গাম, মই অভিনয় কৰিম এনেধৰণৰ বিভিন্ন কথা আলোচনা কৰিবলৈ ধৰিলে। সেই সময়লৈকে কিন্তু মই যে কিবা এটা কৰিম সেইটো ভবাই নাছিলোঁ। পাছতহে নাটক কৰাৰ কথা মনলৈ আহিল আৰু নাটক কৰিয়েই মই নৰ্থ লখিমপুৰ কলেজৰ হিন্দী বিভাগৰ শ্ৰেষ্ঠ নৱাগত হ'বলৈ সক্ষম হ'লোঁ। ১২ আগষ্ট ২০২৩ তাৰিখে নৱাগত আদৰণি সভাৰ অনুষ্ঠিত কৰিছিল। বন্তি প্ৰজ্জ্বলনেৰে সভাখনি শুভাৰম্ভ কৰা হয়। অগ্ৰজ বাইদেউসকলে নৱাগত সকলোকে চাকি-বন্তি জ্বলাই বিভাগলৈ আদৰণি জনায়। আমাৰ সকলোৰে বাবে এয়া এক নতুন অভিজ্ঞতা। অগ্ৰজ দাদা-বাইদেউসকলৰ অনুৰোধত সকলোৱেই নিজৰ পৰিচয় দি নিজৰ নিজৰ পাৰদৰ্শিতা আগবঢ়ালে আৰু ময়ো চমুকৈ অলপ নাটক কৰি নিজৰ পাৰদৰ্শিতা দেখুৱালোঁ। লগৰ বহুতে গান গালে, বিহু নাচিলে, নাটক কৰিলে কিন্তু এই সকলোৰে মাজৰ পৰা মোক শ্ৰেষ্ঠ নৱাগতৰ সন্মানটো দিয়াৰ বাবে বিভাগৰ মুৰব্বী নন্দিতা বাইদেউ, অৰ্চনা বাইদেউ, প্ৰণীতা বাইদেউৰ লগতে বিভাগৰ অগ্ৰজ দাদা-বাইদেউসকললৈ ধন্যবাদ আৰু কৃতজ্ঞতা জ্ঞাপন কৰিলোঁ। মোৰ বাবে এই ক্ষণ সদায় চিৰস্মৰণীয় হৈ ৰ'ব। কাৰণ নৰ্থ লখিমপুৰ কলেজৰ হিন্দী বিভাগত শ্ৰেষ্ঠ নৱাগত সন্মানটো মোৰ বাবে অতিকৈ গৌৰৱৰ কথা। হিন্দী বিভাগৰ শ্ৰেষ্ঠ নৱাগত হিচাপে বিভাগৰ তৰফৰ পৰা এখনি মানপত্ৰ আৰু নৰ্থ লখিমপুৰ কলেজ ছাত্ৰ একতা সভা (২০২২-২৩) ই এটি গছপুলিৰে সন্মানিত কৰে।

### নৱাগত হিচাপে মোৰ অনুভৱ

**দিপক দত্ত,** গণিত বিভাগ

সেইদিনা আছিল আগষ্ট মাহৰ ১ তাৰিখ অৰ্থাৎ মংগলবাৰ, যিটো দিনলৈ মই অধীৰ আগ্ৰহেৰে অপেক্ষা কৰি আছিলোঁ। প্ৰায় ৮ মান বজাত ঘৰৰ পৰা ওলাই গৈ দেৱদাৰু নগৰীৰ সন্মুখত উপস্থিত হৈছিলোঁগৈ। সেই সময়ত মোৰ মনত বহুতো সৰু সৰু প্ৰশ্ন উদয় হৈছিল। গণিত বিভাগটো বা ক'ত আছে, চিনাকি কাৰোবাক লগ পাম নে নাপাম ইত্যাদি। দেৱদাৰুৰ মাজে মাজে কলেজৰ অভিমুখে অলপ ভয় ভাবেৰে আৰু অলপ নতুন উৎসাহ মনত লৈ আগবাঢ়িছিলো। অলপ গৈয়ে সোঁফালে দেখিছিলোঁ কলেজৰ গণিত বিভাগটো। কলেজত শ শ অচিনাকি মুখৰ মাজত দেখা পাইছিলো কেইজনমানৰ চিনাকি মুখ। লগে লগে সিহঁতক দেখা পাই মোৰ মুখত আনন্দৰ হাঁহি বিৰিঙি পৰিল। সিহঁতৰ লগত বহুতো কথা-বতৰা পাতিলোঁ। অৱশেষত ৯ মান বজাত গণিত বিভাগৰ এজন শিক্ষক শ্ৰেণী কোঠালৈ সোমাই আহে, তেখেতে প্ৰথমে নিজৰ পৰিচয় দাঙি ধৰিলে আৰু আমাৰ নতুন শৈক্ষিক ব্যৱস্থাৰ লগতে বি এচ চি পাঠ্যক্ৰমৰ বিষয়ে বিতংভাৱে কৈছিল। তেখেতে আমাৰ লগত বিভিন্ন কথা-বতৰা পতাৰ লগতে বহুতো মূল্যৱান পৰামৰ্শও আমাক আগবঢ়াইছিল। এনেদৰে কথাৰ মাজৰে কেনেকৈ ১ ঘণ্টা পাৰ হৈ গ'ল গমকে নাপালোঁ। তাৰ পিছত মাইনৰ বিষয়ৰ শ্ৰেণীলৈ গ'লো। প্ৰথমদিনা ১ বজাৰ পিছত আৰু কোনো ক্লাছ নথকাত মই ঘৰলৈ আহিলো। তাৰ পিছত তেনেকৈয়ে নিয়মিতভাৱে প্ৰত্যেক দিনাই ক্লাছবোৰ হৈ আছিল। তাৰ মাজতে মই আৰু মোৰ সহপাঠীসকলৰ বিৰতিৰ সময়ছোৱাত কলেজৰ সৌন্দৰ্য উপভোগ কৰিছিলোঁ। কিয়নো কলেজখন আমাৰ বাবে একেবাৰেই নতুন আছিল। যিহেতু মই খেলৰ প্ৰতি অতি আগ্ৰহী। গতিকে খেলৰ সকলো সা-সুবিধা দেখি মই বহু আনন্দিত হৈছিলোঁ। কলেজখনত সকলো ধৰণৰে সুবিধা আছে। পুথিভঁৰাল, গ্ৰন্থালয়, কেণ্টিন অ'ডিটৰিয়াম ইত্যাদি। কলেজ আৰম্ভ হোৱা কেইদিনমান পাছতেই সকলো বিভাগতেই নৱাগতসকলক ছাৰ-বাইদেউ তথা দাদা-বাইদেউসকলে আদৰণি জনাইছিল। তাত সকলো নৱাগতই নিজৰ পৰিচয় দাঙি ধৰাৰ লগতে নিজৰ নিজৰ প্ৰতিভাসমূহ দেখুৱাইছিল। কিন্তু তেতিয়ালৈকে আমাৰ অৰ্থাৎ গণিত বিভাগৰ নৱাগত আদৰণি সভা পতা হোৱা নাছিল। মোৰ লগতে আমাৰ বিভাগত সকলো ছাত্ৰ-ছাত্ৰী অধীৰ আগ্ৰহেৰে বাট চাই আছিল। কেইদিনমানৰ পাছত অৰ্থাৎ ১৭ আগষ্ট ২০২৩ তাৰিখে আমাৰ নৱাগত আদৰণি সভা অনুষ্ঠিত হৈছিল। এইখন কলেজত মোৰ এইকেইদিনতে বহুতো অভিজ্ঞতা হৈছে যদিও এতিয়াও বহুখিনি বাকী আছে। বৰ্তমান সময়ত মই নৰ্থ লখিমপুৰ কলেজৰ নৱাগত আদৰণি সভালৈ আৰু অধিক আগ্ৰহেৰে বাট চাই আছোঁ।

### নতুনৰ অনুৰাগ

**বাস্তৱ শইকীয়া,** নৱছাত্ৰাবাস, প্ৰথম যান্মাসিক

'তুমি এটা মুকলি মন আৰু এখন হৃদয় লৈ এই আবাসলৈ আহা, আকাশৰ দৰে উদাৰ আৰু সাগৰৰ দৰে বিশাল হৃদয় লৈ তুমি ইয়াৰ পৰা ওলাই যাব পাৰিবা'

নৱছাত্ৰাবাস যি হাজাৰ আত্মাৰ মিলনৰ সেতু, য'ত প্ৰতিজন আবাসীয়ে জীৱন যুদ্ধৰ পাতনি মেলে আৰু প্ৰতিজন আবাসীৰ হৃদয় দাপোনত সপোন হৈ উলমি থকা এক সৌন্দৰ্য। অসমৰ নামজ্বলা কলেজসমূহৰ ভিতৰত অন্যতম নৰ্থ লখিমপুৰ কলেজৰ চৌহদৰ ভিতৰতে সন্নিৱিষ্ট নৱছাত্ৰাৱাস আজি পঞ্চাছ বছৰতকৈ অধিক কাল পাৰ হৈ যোৱাৰ পাছতো কিন্তু এই আৱাসৰ গুণ গৰিমা কমি যোৱা নাই। এই আবাসৰ প্ৰতিজন সদস্যই ন ন চিন্তা চৰ্চাৰে সদা ব্ৰতী হৈ থাকে। সেয়েহে এই আৱাসৰ নাম নৱছাত্ৰাবাস। অনৈক্যৰ মাজত ঐক্য স্বৰূপে যেন সদায়ে এই আৱাসৰ আবাসীয়ে নতুন চিন্তাৰ পোষকতা কৰে।

মহাবিদ্যালয়ৰ পাঠদান আৰম্ভণিৰ আগদিনাই মই মহাবিদ্যালয়ৰ চৌহদৰ অন্তভূৰ্ক্ত নৱছাত্ৰাবাসত থাকিবলৈ ঘৰৰ পৰা বিদায় ল'লো। নৱছাত্ৰাবাসৰ প্ৰথম কেইদিনমান আছিল উত্তেজনা, অস্থিৰতা আৰু কৌতুহলৰ ঘূৰ্ণীবতাহ। অচিনাকি মুখৰ নতুন পৰিৱেশত বিভিন্ন প্ৰশ্নই প্ৰথমে মোৰ মনত হেন্দুলনি তুলিছিল। নৱছাত্ৰাবাসৰ ৩২ টা কোঠা আৰু ৮৬ জন আবাসীৰ ভিতৰত ১০৩ নম্বৰ কোঠাটোত মই থাকিবলৈ সুবিধা পালোঁ। মই এটা কথা বুজি উঠিছিলোঁ যে প্ৰথম কেইদিনত কিছুমান সাল-সলনিৰ সমস্যা হ'ব পাৰে। কিন্তু সময়ৰ লগে লগে আবাসৰ নতুন ছাত্ৰৰ লগত হোৱা বন্ধুত্ব আৰু অগ্ৰজসকলৰ সমৰ্থনত এতিয়া এই নৱছাত্ৰাবাস মোৰ ঘৰ হৈ পৰিছে, চৌপাশৰ মানুহবোৰ মোৰ নতুন পৰিয়াল হৈ পৰিছে। আবাসৰ সকলো আবাসীয়ে একেলগে আহাৰ গ্ৰহণ কৰা, খেলপথাৰত গৈ খেলৰ আমেজ লোৱা এই সকলোবোৰ অভিজ্ঞতা সঁচাই চিৰযুগমীয়া হৈ ৰ'ব।

হোষ্টেলত থাকি প্ৰতিজন ছাত্ৰই নতুন পৃথিৱীৰ সন্ধান পায় য'ত প্ৰতিজন আবাসীয়ে বন্ধুত্বৰ লগতে জীৱনৰ মূল্যৱান শিক্ষা লাভ কৰে।

### নৰ্থ লখিমপুৰ কলেজৰ ২০২৩ বৰ্ষৰ বিজ্ঞানৰ শ্ৰেষ্ঠ স্নাতক

# প্ৰীতি গুপ্তাৰ মনৰ কথা



কলেজীয়া জীৱন প্ৰতিজন ব্যক্তিৰে জীৱনৰ এক অতি গুৰুত্বপূৰ্ণ অংশ। স্কুলৰ দেওনা পাৰ হৈ আমি নিৰ্দিষ্ট এখন দুৱাৰ দলিত উপনিত হওঁ য'ত আমি কিছুমান গুৰুত্বপূৰ্ণ সিদ্ধান্ত ল'বলগীয়া হয়। সেইটো হৈছে নিজৰ কেৰিয়াৰ সন্দৰ্ভত। এয়া হৈছে নিজকে বুজিবলৈ আৰু প্ৰমাণ কৰাৰ এক বহল মঞ্চ। ই এনেকুৱা এখন ঠাই য'ত সকলোকে প্ৰাপ্তবয়স্ক বুলি ধৰা হয়। যাৰ বাবে নিজে নিজক অধিক দায়বদ্ধ হোৱাৰ প্ৰয়োজনীয়তা আহি পৰে। ই এনে এখন ঠাই য'ত আমি আমাৰ জীৱনৰ বাবে এটা ডাঙৰ ভেটি গঢ়ি তুলিব পাৰোঁ। ইয়াত ভাল, বেয়া সকলো কাৰ্যই সম্ভৱ হ'ব পাৰে। কেতিয়াবা আমাৰ নিজৰ আগ্ৰহ নাথাকিলে কিছু সিদ্ধান্ত ল'বলগীয়া হ'ব পাৰে। কলেজীয়া জীৱনে আমাক এই সকলোবোৰৰ বাবে প্ৰস্তুত কৰে। ই আনন্দ আৰু কষ্টৰ নিখুঁত মিশ্ৰণ।

নৰ্থ লখিমপুৰ মহাবিদ্যালয়ত মোৰ জীৱনটো আছিল অতি স্মৰণীয়। এই ৩ বছৰীয়া স্মৰণীয় যাত্ৰাৰ সময়ছোৱাত মই ভাল বেয়া দুয়োটা সময়ৰ সন্মুখীন হ'লোঁ। মই বহু নতুন বন্ধু পালোঁ যাৰ সৈতে থাকি সমাজ-সংস্কৃতি তথা ব্যক্তিত্বৰ সন্ধান পালোঁ। নৰ্থ লখিমপুৰ মহাবিদ্যালয়ৰ প্ৰথম বৰ্ষত মোৰ শিক্ষক আৰু বন্ধু-বান্ধৱীৰ সৈতে মুকলিকৈ কথা ক'বলৈ সময় লাগিছিল। প্ৰথমতে মই নিজকে আনৰ সৈতে কথা কৈ ভালপোৱা ব্যক্তি নাছিলোঁ যদিও সময়ৰ লগে লগে মোৰ চৌপাশৰ লগত অভ্যস্ত হৈ পৰিলোঁ যাৰ বাবে মই মোৰ শিক্ষাগুৰুসকলক ধন্যবাদ জনাইছোঁ। কাৰণ তেওঁলোক আছিল অতি সহযোগী হোৱাৰ লগতে কিছুমান বিশেষ ধৰণে সহায় কৰিছিল, যিয়ে মোক কলেজীয়া জীৱনৰ লগত খাপ খুৱাই লোৱাত সহায় কৰিছিল।

গণিতক মূল বিষয় হিচাপে বাছি লোৱাটো কোনো কঠিন সিদ্ধান্ত নাছিল। সততে বিশ্বব্ৰহ্মাণ্ডৰ সাৰ্বজনীন ভাষা বুলি বৰ্ণনা কৰা এই বিষয়টোৱে মোৰ হৃদয়ত এক বিশেষ স্থান দখল কৰিছে। মই জানিছিলোঁ যে ভালকৈ গাইড কৰিলে এই ক্ষেত্ৰত মোৰ শ্ৰেষ্ঠখিনি দিব পাৰিম। আমাৰ বিভাগৰ শিক্ষকসকলে পাঠদানত এনে সুন্দৰ পৰিৱেশ সৃষ্টি কৰিছিল য'ত আমি মুকলিকৈ বিভিন্ন চিন্তা, প্ৰশ্ন তথা আলোচনাত লিপ্ত হ'বলৈ সহায় হৈছিল। সমীকৰণ সমাধানৰ পৰা আৰম্ভ কৰি উপপাদ্য প্ৰমাণ কৰালৈকে তেওঁলোকে সদায় প্ৰতিটো বিষয় ব্যাখ্যা কৰি আৰু লগতে টোকাও দি আমাক শিকিবলৈ সহজ কৰি তুলিছিল। তেওঁলোকে সময় উলিয়াই প্ৰতিজন ছাত্ৰ-ছাত্ৰীৰ শক্তি, দুৰ্বলতা আৰু আগ্ৰহৰ বিষয়ে বুজিবলৈ চেষ্টা কৰিছিল। এনে সম্পৰ্ক শ্ৰেণীকোঠাৰ বাহিৰলৈ গৈছিল যিয়ে শৈক্ষিক বিষয়ৰ উপৰি কেৰিয়াৰ সম্পৰ্কীয় মেণ্টৰশ্বিপৰো কাম কৰিছিল। এনে কাৰ্যৰ পৰা মোৰ বহু উপকাৰ সাধন হৈছিল। তেওঁলোকৰ কৌতুহল আৰু নতুন ধাৰণা অন্বেষণৰ প্ৰতি থকা দৃষ্টিভংগীয়ে মোক সদায় অনুপ্ৰাণিত কৰিছিল। এজন ছাত্ৰ হিচাপে মই অত্যন্ত সৌভাগ্যবান যে তেওঁলোকক কেৱল শিক্ষক হিচাপেই নহয়, পথ প্ৰদৰ্শক হিচাপেও পাইছোঁ।

শৈক্ষিক দিশৰ বাহিৰেও নৰ্থ লখিমপুৰ কলেজত মোৰ কেম্পাছ জীৱনে বৌদ্ধিক অন্বেষণৰ কেন্দ্ৰ হিচাপে কাম কৰিছিল। অধ্যাপকসকলে ছাত্ৰ-ছাত্ৰীক শৈক্ষিক যাত্ৰাপথত জ্ঞান আহৰণৰ বাবে সুবিধা প্ৰদান কৰিছিল। শ্ৰেণীকোঠাৰ বাহিৰেও কেম্পাছ জীৱনে পাঠ্যক্ৰমৰ বাহিৰৰ কাৰ্যকলাপৰ এক মঞ্চ আগবঢ়াইছিল। ক্লাব, ক্ৰীড়া দল, সাংস্কৃতিক অনুষ্ঠান, আৰু কলাত্মক সাধনাই ছাত্ৰ-ছাত্ৰীসকলক তেওঁলোকৰ আবেগক অন্বেষণ কৰা, নেতৃত্বৰ দক্ষতা বিকাশ কৰা আৰু স্মৃতি যুগমীয়া কৰাৰ সুযোগ প্ৰদান কৰিছিল। এই কাৰ্যকলাপসমূহে মোক কেৱল এক পূৰ্ণ শিক্ষাৰ অৰিহণা যোগোৱাই নহয়, মোৰ সময়খিনি ফলপ্ৰসূভাৱে পৰিচালনা কৰাত তথা শৈক্ষিক আৰু ব্যক্তিগত সাধনাৰ মাজত ভাৰসাম্য ৰক্ষা কৰাত সহায় কৰিছিল। এনে বহু স্মৃতি আজিও মোৰ মনৰ মাজত সজীৱ হৈ আছে। এনেবোৰ অভিজ্ঞতাই আমাৰ ঐক্য আৰু আনৰ সফলতাই আমাকো কেনেকৈ সুখী কৰিব পাৰি সেই কথা প্ৰকাশ পাইছিল। নতুন পৰিৱেশৰ লগত খাপ খুৱাই লোৱা আৰু মানসিক চাপ নিয়ন্ত্ৰণ কৰাতো এই পৰ্যায়ত মই শিকি অহা গুৰুত্বপূৰ্ণ শিক্ষা। পৰিচয়ৰ প্ৰথম দিনাৰ পৰা অধ্যয়নৰ অন্তিম দিনটোলৈকে বন্ধু-বান্ধৱীৰ সৈতে কটোৱা প্ৰতিটো মুহূৰ্তই মোৰ কলেজীয়া জীৱনৰ এক মধুৰ স্মৃতি।

আমাৰ কলেজখনৰ বিষয়ে মই আটাইতকৈ বেছি ভাল লগা কথাটো হ'ল সুন্দৰ সেউজীয়া ঠাইৰে পৰিৱেষ্টিত এলেকা। যিয়ে কলেজৰ ছাত্ৰ-ছাত্ৰীৰ মংগল, সৃষ্টিশীলতা আৰু প্ৰকৃতিৰ সৈতে সংযোগৰ ওপৰত গভীৰ প্ৰভাৱ পেলায়। গছ-গছনি, বাগিচা আৰু মুকলি ঠাইসমূহে এক শান্ত আৰু সজীৱ পৰিৱেশৰ সৃষ্টি কৰিছিল যিয়ে ছাত্ৰ-ছাত্ৰীসকলক তেওঁলোকৰ মন আৰু আত্মাক পুনৰ সজীৱ কৰিবলৈ সুবিধা দিছিল।

কলেজীয়া দিনবোৰ শেষ হোৱাৰ লগে লগে এটা তিতা-মিঠা অনুভৱে মোক আৱৰি ধৰিলে। বন্ধুত্ব, স্মৃতি আৰু অভিজ্ঞতাবোৰ মোৰ বাবে এক অবিচ্ছেদ্য অংগ হৈ পৰিছিল। নৰ্থ লখিমপুৰ কলেজ কেৱল এখন প্ৰতিষ্ঠান নাছিল; ই আছিল এক পৰিৱৰ্তনশীল অভিজ্ঞতা যিয়ে মোৰ সম্ভাৱনাক লালন-পালন কৰিছিল আৰু আজি মই যিজন ব্যক্তি, তাৰ বাবে মঞ্চ তৈয়াৰ কৰিছিল।

### নৰ্থ লখিমপুৰ কলেজৰ ২০২৩ বৰ্ষৰ কলাৰ শ্ৰেষ্ঠ স্নাতক

# শতাব্দী কোঁৱৰৰ সৈতে অন্তৰংগ আলাপ

সাক্ষাৎগ্ৰহণ ঃ ধৰিত্ৰী বৰুৱা



**প্ৰশ্নঃ** নৰ্থ লখিমপুৰ কলেজখন অসমৰ বহু ছাত্ৰ ছাত্ৰীৰ সপোন স্বৰূপ। তেনে এখন মহাবিদ্যালয়ৰ শ্ৰেষ্ঠ স্নাতক হৈ তোমাৰ অনুভৱ কেনেধৰণৰ?

**উত্তৰ ঃ** অসমৰ প্ৰথম স্বায়ত্তশাসিত মহাবিদ্যালয় নৰ্থ লখিমপুৰ কলেজখন অসমৰ বহু শিক্ষাৰ্থী আৰু অভিভাৱকৰ বাবেই সপোনস্বৰূপ আৰু আদৰৰ। আমাৰ মহাবিদ্যালয়ে বহুতৰ জীৱন গঢ়ি সমাজত প্ৰতিষ্ঠা লাভ কৰাত সহায় কৰিছে। এই শিক্ষানুষ্ঠানৰ পৰা ২০২৩ বৰ্ষৰ কলা শাখাৰ শ্ৰেষ্ঠ স্নাতক হিচাপে উত্তীৰ্ণ হৈ মই নিশ্চয়কৈ গৌৰৱবোধ কৰিছোঁ আৰু আপোনালোক সকলোৰে পৰা আশীৰ্বাদ বিচাৰিছোঁ।

**প্ৰশ্ন ঃ** শ্ৰেষ্ঠ স্নাতক হোৱাৰ ক্ষেত্ৰত তোমাৰ পৰিকল্পনা কেনেধৰণৰ আছিল? অধ্যয়ন কৰিবৰ বাবে কেনেধৰণৰ নিয়মাৱলী আৰু সময় নিৰ্ধাৰণ কৰি লৈছিলা; এই বিষয়ে অলপ কোৱাচোন।

**উত্তৰঃ** মই নিয়মিতভাৱে অধ্যয়ন কৰিছিলোঁ। বিভাগৰ শিক্ষাগুৰুসকলে দিয়া গৃহ-কৰ্মৰ পৰা আদি কৰি বিভিন্ন কামবোৰ সময়মতে কৰি গৈছিলোঁ। শিক্ষা বিষয়টোৰ লগতে ইংৰাজী আৰু ৰাজনীতি বিজ্ঞান বিষয় দুটা মোৰ বৰ ভাল লগা বিষয়। শ্ৰেষ্ঠ স্নাতক হ'ম বুলি মে যাণ্মাসিকলৈকে ভাবিব পৰা নাছিলোঁ। তথাপি কামবোৰ কৰি গৈছিলোঁ। কিন্তু ষষ্ঠ যাণ্মাসিকৰ পৰা মোৰ দুই এগৰাকী বান্ধৱীয়ে মোক আৰু ভালকৈ পঢ়িবলৈ উৎসাহ দিছিল যাতে মই শ্ৰেষ্ঠ হ'বগৈ পাৰোঁ আৰু ময়ো অনুভৱ কৰিবলৈ ললোঁ। অৱশ্যে ষষ্ঠ যাণ্মাসিকৰ পৰীক্ষাত আগতকৈ কিছু কম নম্বৰ লাভ কৰিলোঁ। অৱশেষত চূড়ান্ত পৰীক্ষাৰ ফলাফলত শ্ৰেষ্ঠ বুলি জানিব পাৰি বৰ আনন্দ পাইছিলোঁ। মই ইংৰাজী মাধ্যমেৰে পৰীক্ষাৰ প্ৰশ্নসমূহৰ উত্তৰবোৰ লিখিছিলোঁ যদিও অসমীয়া মাধ্যমৰ কিতাপৰো সহায় লৈছিলোঁ। প্ৰয়োজনীয় কথাবোৰ ইংৰাজীলৈ অনুবাদ কৰি লৈছিলোঁ। সময়ৰ সদ্ব্যৱহাৰৰ চেষ্টা কৰিছিলোঁ।

**প্ৰশ্নঃ** তোমাৰ এই ফলাফলত নৰ্থ লখিমপুৰ কলেজৰ সামগ্ৰীক পৰিৱেশটোৰ ভূমিকা আছে বুলি ভাবা নে? যদিহে ভূমিকা আছে বুলি ভাবা তেন্তে সেয়া কেনে পৰ্যায়ৰ?

**উত্তৰঃ** শিক্ষাৰ্থীসকলৰ উত্তৰণত সকলো শিক্ষানুষ্ঠানৰে ভূমিকা অপৰিসীম। নৰ্থ লখিমপুৰ মহাবিদ্যালয়ৰ পৰিৱেশো তাৰ ব্যতিক্ৰম নহয়। বৰং আমাৰ মহাবিদ্যালয়খনে খেলা-ধূলা, গীত-মাত, সাহিত্য কৰ্মৰ পৰা আদি কৰি বিভিন্ন দিশৰ সহ-পাঠ্যক্ৰমিক কাৰ্যাৱলীৰে শিক্ষাৰ্থীসকলৰ ব্যক্তিত্বৰ বিকাশৰ পথ প্ৰশস্ত কৰি তোলাৰ অহৰহ চেষ্টা কৰি আহিছে। গ্ৰন্থাগাৰলৈ সময় পালেই যোৱাটো মোৰ অভ্যাস আছিল। আমাৰ বিভাগৰ সকলো শিক্ষাগুৰুলৈ এইখিনিতে শ্ৰদ্ধা নিবেদিলোঁ। তেখেতসকলৰ অধ্যয়নসুলভ স্বভাৱৰ কথাবোৰে মোকো অধ্যয়নৰ প্ৰতি আগ্ৰহ জন্মাইছিল। বিভাগৰ শ্ৰদ্ধাৰ ৰাজেন মণ্ডল ছাৰে ভৱিষ্যতে অধ্যয়নৰ বাবে প্ৰয়োজনীয় দিশবোৰৰ নিৰ্দেশনা দিছিল। গুৰু-শিষ্যৰ ধনাত্মক দিশৰ সমন্বয়বোৰ বৰ প্ৰশংসনীয়। শিক্ষাৰ্থীসকলৰ শাৰীৰিক-মানসিক বিকাশৰ বাবে ভাল পৰিৱেশ আমাৰ মহাবিদ্যালয়ত আছে।

**প্ৰশ্নঃ** মহাবিদ্যালয়খনৰ শৈক্ষিক পৰিৱেশটোক লৈ তুমি সুখী নে? এইক্ষেত্ৰত তোমাৰ অনুভৱ কি?

**উত্তৰঃ** হয়। মহাবিদ্যালয়খনৰ সুস্থ শৈক্ষিক পৰিৱেশে মোক খুব উৎসাহ দিয়ে। বৰ্তমান মই তেজপুৰ বিশ্ববিদ্যালয়ত পঢ়াৰ যি সুবিধা লাভ কৰিলোঁ তাৰ বাবে নৰ্থ লখিমপুৰ মহাবিদ্যালয়ৰ অৱদানলৈ আটাইতকৈ বেছি। মহাবিদ্যালয়খনৰ মূল পাঠ্যক্ৰমৰ উপৰিও বিভিন্ন দিশ; যেনে—Women Studies, Human Rights, Gandhian Studies আদি পাঠ্যক্ৰমৰ জ্ঞানে মোক বহুত উপকাৰ কৰিলে। এইক্ষেত্ৰত ড° কাকলি ভূঞা মেম, জুতিকা মেম, ড° ইচমিৰেখা সন্দিকৈ কোঁৱৰ মেম আৰু ড° বিনোদ চেতিয়া ছাৰৰ কথা কাহানিও পাহৰিব নোৱাৰিম। সাহিত্য কৰ্মৰে শিক্ষাৰ্থীসকলক বাট দেখুওৱা শিক্ষাগুৰু সকলৰ ব্যক্তিত্ব আমাৰ বাবে পাথেয়। বিশেষকৈ মোৰ জীৱনত প্ৰভাৱ পেলোৱা ড° অৰবিন্দ ৰাজখোৱা ছাৰ আৰু ড° ৰাতুল কুমাৰ লাহন ছাৰৰ কথা উল্লেখ কৰিবই লাগিব। মহাবিদ্যালয়খনৰ সামগ্ৰিক পৰিৱেশক লৈ সঁচাকৈয়ে মই বৰ সুখী।

**প্ৰশ্নঃ** তুমি পাঠ্যক্ৰমৰ অন্তৰ্ভুক্ত কিতাপসমূহ পঢ়াৰ উপৰিও অন্য কি কি বিষয়ৰ কিতাপ পঢ়ি বেছি ভাল পোৱা? তোমাৰ জীৱনত তেনেধৰণৰ কোনো গ্ৰন্থই প্ৰভাৱ পেলাইছে নেকি? যদি প্ৰভাৱিত কৰিছে তেন্তে কেনেকৈ ?

**উত্তৰ ঃ** পাঠ্যক্ৰমৰ উপৰিও মই আধ্যাত্মিকধৰণৰ কিতাপ আৰু প্ৰবন্ধ পঢ়ি বেছি ভাল পাওঁ। ককা-আইতা আৰু মা-দেউতাৰ কিছুমান কামে এইক্ষেত্ৰত মোক উৎসাহ যোগাইছে। আইতাই দিহানাম পৰিৱেশন কৰিব জানে। দেউতাই পোৱা-গধূলি প্ৰাৰ্থনাৰে ঘৰত সদায় আধ্যাত্মিক পৰিৱেশ গঢ়ি তোলা সৰুৰে পৰা দেখি আহিছোঁ। "Bhagavad- Gita As It Is" নামৰ গ্ৰন্থখন মোৰ প্ৰিয়। হোমেন বৰগোহাঞি দেৱৰ 'কাম কৰাৰ আনন্দ' আৰু 'জীৱনৰ সাধনা' নামৰ গ্ৰন্থ দুখনে মোক যথেষ্ট প্ৰভাৱিত কৰে। জীৱন যুদ্ধত আগবাঢ়ি যোৱাৰ ক্ষেত্ৰত আধ্যাত্মিক আৰু নৈতিক চিন্তাৰ বৰ দৰকাৰ। যোগাত্মক চিন্তাৰ খোৰাক যোগোৱা এই গ্ৰন্থ তিনিখনে মানুহক কৰ্মমুখী কৰাৰ উপৰি জীৱনৰ সঠিক পথৰ অনুসন্ধানত সহায়ক হ'ব পাৰে বুলি মোৰ বিশ্বাস।

**প্ৰশ্নঃ** শিক্ষাৰ সমান্তৰালকৈ তুমি অন্য কি কি কাম কৰি ভাল পোৱা? কেতিয়াবা অন্যধৰণৰ কাম কৰিলে সেই বিশেষ কামটোৱে পঢ়াত ক্ষেত্ৰত প্ৰভাৱ পেলায় বুলি ভাবা নেকি?

**উত্তৰঃ** ক'বলৈ গ'লে শিক্ষাৰ সমান্তৰালভাৱে মই গান শিকা, প্ৰবন্ধ লিখা আৰু কিতাপ পঢ়ি আনন্দ পাওঁ। মই মাজে মাজে সময় উলিয়াই দুই-এটা প্ৰবন্ধ লিখোঁ। ইতিপূৰ্বে কেইবাটাও প্ৰবন্ধ প্ৰকাশো হৈছে আৰু কেইটামান প্ৰবন্ধ প্ৰকাশৰ বাবে পঠোৱা হৈছে। মোৰ জীৱনৰ প্ৰথম প্ৰকাশ হোৱা লিখনিটোৰ নাম আছিল "Importance of Co-Curricular Activities in School" এই প্ৰবন্ধটো চেইণ্টমেৰিজ স্কুলৰ Class V ত থাকোঁতে সেই বিদ্যালয়ৰে আলোচনীত প্ৰকাশ পাইছিল।

**প্ৰশ্নঃ** পঢ়াৰ কথাটোৰ পৰা ফালৰি কাটি আমি মহাবিদ্যালয়ৰ প্ৰসংগত এটা কথা সুধিব খোজোঁ, নৰ্থ লখিমপুৰ মহাবিদ্যালয়খন সম্পূৰ্ণ ৰূপে বিশ্ববিদ্যালয় পৰ্যায়লৈ ৰূপান্তিত হ'লে স্নাতক মহলাত অধ্যয়ন কৰি থকা ছাত্ৰ-ছাত্ৰীসকলৰ শৈক্ষিক জীৱনত প্ৰভাৱ পৰিব বুলি ভাবা নে? আৰু এই প্ৰভাৱ কেনেধৰণৰ হ'ব পাৰে বুলি মনলৈ ধাৰণা আহে যদি আমাক জনোৱাচোন।

**উত্তৰঃ** নৰ্থ লখিমপুৰ মহাবিদ্যালয়খনে ক্ৰমান্বয়ে উন্নতিৰ ফালে আগুৱাই গৈ সমাজলৈ নতুন নতুন অৱদান আগবঢ়াই গৈ আছে। মহাবিদ্যালয় পৰ্যায়ৰ পৰা ২০১৩ চনত স্বায়ত্তশাসিত মহাবিদ্যালয়লৈ ৰূপান্তৰ হ'ল আৰু ইতিমধ্যে বিশ্ববিদ্যালয় পৰ্যায়লৈ উন্নীত হোৱাৰ পথেৰে অগ্ৰসৰ হৈ আছে। উল্লেখ্যে যে বিশ্ববিদ্যালয় পৰ্যায়ত সাধিত হোৱা বহুখিনি কাম স্বায়ত্তশাসিত মহাবিদ্যালয় হৈ থাকোঁতেই আমাৰ মহাবিদ্যালয়ে কৰি আছে। ইতিপূৰ্বে প্ৰায় এঘাৰটা বিভাগত স্নাতকোত্তৰ শ্ৰেণীসমূহ সফলভাৱে চলি আছে। অসমীয়া আৰু শিক্ষাতত্ত্ব বিভাগকে ধৰি কেইটামান বিভাগৰ ছাত্ৰ-ছাত্ৰীয়ে NET, JRF আদি পৰীক্ষাবোৰত উত্তীৰ্ণ হোৱাৰ খবৰবোৰে আমাক আনন্দ দিয়ে। কেইবাটাও বিভাগে পিএইচ.ডি ৰ Course ও আৰম্ভ কৰিছে । গতিকে স্নাতক মহলাত অধ্যয়ন কৰি থকা শিক্ষাৰ্থীসকলৰ বাবেও ই এক উৎসাহজনক দিশ হিচাপে নিশ্চয় পৰিগণিত হৈছে।

**প্ৰশ্নঃ** বৰ্তমান শিক্ষানুষ্ঠানসমূহ নতুন শিক্ষা নীতিৰ অন্তৰ্গত কৰা হৈছে, সেই কথা তুমি নিশ্চয়কৈ জানা। এই নতুন শিক্ষা নীতিয়ে শিক্ষাৰ দিশটোক কেনেধৰণে অগ্ৰসৰ কৰিব পাৰে বুলি তুমি ভাবা?

উত্তৰঃ হয়, জানো। সামাজিক পৰিৱৰ্তনৰ লগত খাপ খুৱাব পৰাকৈ ভাৰতবৰ্ষৰ সমাজখনত সময়ে সময়ে নতুন নতুন শিক্ষা আয়োগ তথা শিক্ষা নীতিৰ ব্যৱস্থা কৰা দেখা গৈছে। স্বাধীনতাৰ পিছৰ সময়ছোৱাতো আমি যদি চাওঁ তেন্তে দেখিম যে ১৯৪৮-৪৯ চনৰ ৰাধাকৃষ্ণন আয়োগ, ১৯৫২-৫৩ চনৰ মাধ্যমিক শিক্ষা আয়োগ, ১৯৬৪-৬৬ চনৰ কোঠাৰি আয়োগ, ১৯৮৫-৮৬ চনৰ ৰাষ্ট্ৰীয় শিক্ষানীতি আদিৰ কথা থোৰতে উল্লেখ কৰিব পৰা যায়। এই আয়োগ আৰু শিক্ষানীতিবোৰত শিক্ষাৰ বিকাশৰ নতুন নতুন দিশৰ পৰামৰ্শ আগবঢ়োৱা দেখা গৈছে । ঠিক সেইদৰে ২০২০ চনৰ নতুন শিক্ষানীতিয়ে যিখিনি দিশ উন্মোচিত কৰি ভাৰতবৰ্ষৰ শিক্ষা ব্যৱস্থাক আগবঢ়াই নিব বিচাৰিছে সেয়া মোৰ মতে নিশ্চয় ধনাত্মক হ'ব। শিক্ষাৰ্থীৰ ব্যক্তিত্বৰ সম্পূৰ্ণ বিকাশৰ ক্ষেত্ৰত ই সহায়ক হ'ব বুলি আমি আশাবাদী।

**প্ৰশ্নঃ** তুমি এগৰাকী সাধাৰণ ছাত্ৰীৰ পৰা বৰ্তমান শ্ৰেষ্ঠ স্নাতক হিচাপে চিহ্নিত হৈছা, এই ফলাফলটো পোৱাৰ পাছত কেতিয়াবা নিজকে অন্য ছাত্ৰ-ছাত্ৰীৰ পৰা পৃথক যেন অনুভৱ হয় নেকি? লগতে, শ্ৰেষ্ঠ স্নাতক হিচাপে অনুজসকলক কেনেদৰে অধ্যয়ন কৰিবলৈ পৰামৰ্শ দিবা ?

**উত্তৰঃ** শ্ৰেষ্ঠ স্নাতক সন্মান মোৰ বাবে বৰ আদৰৰ। কিন্তু এই সন্মানে কেতিয়াও অন্য ছাত্ৰ-ছাত্ৰীৰ পৰা পৃথক কৰিব নোৱাৰে। আমাৰ মহাবিদ্যালয়ৰ সকলো শিক্ষাৰ্থীয়েই মেধাবী আৰু সেয়ে তাত নাম ভৰ্তিৰ সুযোগ পাইছে। তেখেতসকলৰ মাজত অন্তৰ্নিহিত হৈ থকা বিভিন্ন গুণসমূহৰ বাহ্যিক প্ৰকাশ বা বিকাশৰ বাবে নৰ্থ লখিমপুৰ মহাবিদ্যালয় নিশ্চয়কৈ উপযুক্ত স্থল। মাথোঁ লাগিব অধ্যৱসায় আৰু উৎসাহ।

**প্ৰশ্নঃ** তোমাৰ ভৱিষ্যত শৈক্ষিক পৰিকল্পনা আৰু জীৱনৰ লক্ষ্য সম্পৰ্কে আমাক অৱগত কৰিলে আমি সুখী হ'ম ।

**উত্তৰঃ** ভৱিষ্যতে মই এগৰাকী ভাল শিক্ষক আৰু সমাজৰ উপযুক্ত ব্যক্তি হিচাপে নিজকে গঢ়ি তুলিব খোজো। তাৰ বাবে প্ৰয়োজনীয় অৰ্হতাসমূহ স্নাতকোত্তৰ শ্ৰেণীত অধ্যয়ন কৰি থাকোঁতেই লাভ কৰিবৰ বাবে চেষ্টা কৰিম । আচলতে মানুহৰ গোটেই জীৱনটোৱেই শিক্ষাৰ লগত জড়িত হৈ থাকে। গতিকে ময়ো সেই অনুসৰি আগবাঢ়ি যাবলৈ চেষ্টা কৰিম। তাৰ বাবে আপোনালোক সকলোৰে পৰা আশীৰ্বাদ বিচাৰিলোঁ।

কেম্পাছ
নৰ্থ লখিমপুৰ কলেজ (স্বায়ত্তশাসিত)
১ ছেপ্টেম্বৰ, ২০২৩, শুকুৰবাৰ

## নৱম বৰ্ষত ‘কেম্পাছ’

‘কেম্পাছ’ নৰ্থ লখিমপুৰ কলেজ প্ৰকাশনৰ উপলক্ষ্যমূলক বাতৰি কাকত। প্ৰকাশনৰ সমন্বয়ক ড° অৰবিন্দ ৰাজখোৱাৰ সম্পাদনাত ইয়াৰ প্ৰথম সংখ্যাটো প্ৰকাশ পাইছিল ২৮ জানুৱাৰী, ২০১৫ তাৰিখে। এয়া কিন্তু ব্যাপক সমিতি বা পৰিকল্পনাৰ ফল নাছিল, হঠাৎ লোৱা এটা সাহসী সিদ্ধান্তৰ ফল আছিল ‘কেম্পাছ’।

২০১৫ ৰ ২৮—৩০ জানুৱাৰীলৈ নৰ্থ লখিমপুৰ কলেজত অনুষ্ঠিত হৈছিল ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ আন্তঃমহাবিদ্যালয় যুৱ মহোৎসৱ। মহোৎসৱৰ প্ৰচাৰ আৰু প্ৰকাশন উপ-সমিতিয়ে অন্যান্য কামৰ লগতে মূল স্মৃতিগ্ৰন্থখন প্ৰকাশ কৰিছিল। কিন্তু ২৮ জানুৱাৰীৰ দুপৰীয়া সমন্বয়ক ড° অৰবিন্দ ৰাজখোৱাই দিনটোৰ খবৰবোৰেৰে ‘কেম্পাছ’ নামৰ এখন কাকত প্ৰকাশৰ পৰিকল্পনা কৰিলে। লগে লগে উক্ত সমিতিৰ সদস্যসকলক মাতি জৰুৰী আলোচনা। সদস্যসকলৰ বেছিসংখ্যকেই আছিল অসমীয়া বিভাগৰ স্নাতক আৰু স্নাতকোত্তৰ শ্ৰেণীৰ ছাত্ৰ-ছাত্ৰী। ২০১৪ চনত অসমীয়া বিভাগৰ স্নাতকোত্তৰ শ্ৰেণী আৰম্ভ হৈছিল, সদস্যসকল আছিল প্ৰথম বেটচৰ ছাত্ৰ-ছাত্ৰী। তেওঁলোকৰ সাংবাদিকতা সম্পৰ্কীয় কাকত এখন পাঠ্যক্ৰমতে আছিল।

কম সময়ৰ আলোচনাৰ অন্তত মহোৎসৱৰ বেলেগ বেলেগ মঞ্চলৈ সংবাদ সংগ্ৰহৰ বাবে ছাত্ৰ-ছাত্ৰীসকলক পঠোৱা হ’ল। তেনেকৈয়ে সংবাদবোৰ আহি থাকিল। দুটা কম্পিউটাৰ আৰু ৰাজখোৱাৰ ব্যক্তিগ প্ৰিণ্টাৰটোৰে ততাতৈয়াকৈ এটা কাৰ্যালয় কৰা হ’ল। তাতো দুজনমান বহিল। আহি থকা সংবাদবোৰ টাইপ কৰি থাকিল। ৰাজখোৱাই নিজৰ কেমেৰাৰে বিভিন্ন মঞ্চলৈ গৈ ফটোবোৰ সংগ্ৰহ কৰিলে। তেতিয়া অধিক সংখ্যকৰে মোবাইল ফোনত ফটো তোলাৰ সুবিধা নাছিল। সন্ধিয়ালৈ ছয় পৃষ্ঠাৰ টেবলয়ড আকাৰৰ ‘কেম্পাছ’খনৰ ডিজিটেল কপিটো সাজু হ’লগৈ। সম্পূৰ্ণ লে-আউট কৰিলে ড° ৰাজখোৱাই। ‘কেম্পাছ’ নামটোৰ ল’গ’ প্ৰস্তুত কৰি দিলে ‘পাল্কি’ৰ অৰূপ কোঁৱৰে। ‘পাল্কি’ দোকানখন তেতিয়া কলেজৰ বাহিৰত আছিল। ৰূদ্ধশ্বাসে এবেলাৰ ভিতৰত সম্পূৰ্ণ কৰা এই কামৰ কথা আজি যিমান সহজে স্মৰণ কৰা হৈছে, কামটো কিন্তু সিমান সহজ নাছিল। প্ৰত্যেকগৰাকী কৰ্মীয়ে প্ৰচুৰ কষ্ট কৰি কাকতখন সাজু কৰি তুলিছিল।

এতিয়া সমস্যা হ’ল ছপাৰ ব্যৱস্থা কৰা আৰু তাৰ বাবে টকাৰ ব্যৱস্থা কৰা। টকাৰ বাবে কোনো উৎস নাছিল। উদ্‌যাপন সমিতিক বিচৰা মানেও অন্যায় দাবী কৰা হ’ব। সেয়ে সমন্বয়ক ৰাজখোৱাই ছপাৰ খৰছ নিজে দিবলৈ গাত ল’লে। লগে লগে যোগাযোগ কৰা হ’ল লখিমপুৰৰ কে.বি. ৰোডস্থিত গিগাবাইট অফছেটৰ যুগান্ত শইকীয়াক। আইডিয়াটো শুনি তেওঁ বৰ উৎফুল্লিত হৈ উঠিল। লগে লগে মেইলত পঠাই দিবলৈ ক’লে। তেওঁ নিজে লাগি দুঘণ্টাৰ ভিতৰত পেপাৰখন ছপা কৰি উলিয়ালে। সন্ধিয়া চাৰে ছয় বজাত ‘ৰংঘৰ’ প্ৰেক্ষাগৃহত পৰিচালনা সমিতিৰ সভাপতি হেমেন্দ্ৰ কুমাৰ গগৈ আৰু অধ্যক্ষ ড° বিমান চন্দ্ৰ চেতিয়াই ‘কেম্পাছ’ উন্মোচন কৰে। একে সময়তে প্ৰকাশন উপ-সমিতিৰ কাৰ্যালয়ত ‘কেম্পাছ’ৰ বিক্ৰীৰ আৰম্ভ কৰা হয়। ৰাতি এঘাৰ বজাৰ ভিতৰত ‘কেম্পাছ’ৰ আটাইবোৰ কপি বিক্ৰী হৈ যায়। ছপোৱা হৈছিল পাঁচশ কপি, তাৰে এশ কপিমান বিনামূলীয়াকৈ সমিতিৰ বিষয়ববীয়াসকলক বিতৰণ কৰা হৈছিল। দাম ৰখা হৈছিল দহ টকা। খৰছ হোৱা টকাৰ আধামান ঘূৰি আহিছিল।

সেই উদ্যমেৰে যুৱ মহোৎসৱৰ দ্বিতীয় আৰু তৃতীয় দিনাও ‘কেম্পাছ’ প্ৰকাশ কৰা হৈছিল। প্ৰথম দিনাৰ গ্ৰাহকসকল সন্ধিয়া হ’লেও প্ৰকাশন সমিতিৰ কাৰ্যালয়ত অপেক্ষা কৰিছিল ‘কেম্পাছ’ কিনিবৰ বাবে। সেইবোৰ বৰ ভাল লগা স্মৃতি। জানুৱাৰী মাহৰ জাৰত এটা সৰু কাৰ্যালয় কৰি ড° অৰবিন্দ ৰাজখোৱাই ‘কেম্পাছ’ কাকতখন প্ৰকাশ কৰি যুৱ মহোৎসৱক নতুন অভিজ্ঞতা প্ৰদান কৰিলে।

তাৰ পাছত ‘কেম্পাছ’ প্ৰকাশৰ ধাৰাবাহিকতা ৰক্ষাৰ বাবে পৰিকল্পনা কৰা হ’ল। ২০১৫ চনৰ ১ মাৰ্চত ‘কেম্পাছ’ৰ চতুৰ্থ সংখ্যাটো প্ৰকাশ পায়। সেই সংখ্যাটো আছিল কলেজ প্ৰকাশনৰ ইতিহাস সম্পৰ্কীয়। তাৰ পাছত মহাবিদ্যালয়ৰ বিভিন্ন উপলক্ষ্যত ‘কেম্পাছ’ প্ৰকাশ হৈ আহিছে। এয়া অনায়াসে হোৱা কাম নহয়। যিকোনো কাম আৰম্ভ কৰিবলৈ যিমান কঠিন, কামৰ ধাৰাবাহিকতা ৰক্ষা কৰাটো তাতকৈও কঠিন। ড° অৰবিন্দ ৰাজখোৱাই নেতৃত্ব লৈ ‘কেম্পাছ’খন যথেষ্ট পৰিশ্ৰমেৰে ধাৰাবাহিকতা ৰক্ষা কৰি প্ৰকাশ কৰি থাকিল। অধ্যক্ষ ড° বিমান চন্দ্ৰ চেতিয়াৰ শুভাশিষ আৰু অনুপ্ৰেৰণাই এই ক্ষেত্ৰত সাহস যোগালে।

এইখিনিতে আন এটা কথাও ক’ব লাগিব যে ‘কেম্পাছ’ৰ এই ধাৰাবাহিকতা ৰক্ষাত মহাবিদ্যালয়খনৰ অসমীয়া বিভাগৰ বিশেষ অৰিহণা আছে। কোনো পুঁজিৰ ব্যৱস্থা নথকা ‘কেম্পাছ’খনৰ বহুকেইটা সংখ্যা অসমীয়া বিভাগৰ প্ৰাক্তন ছাত্ৰ-ছাত্ৰীৰ বৰঙণিৰে প্ৰকাশ হৈছে। অসমীয়া বিভাগতে যথেষ্ট অনুষ্ঠান আয়োজিত হয়। সেয়ে ‘কেম্পাছ’ত উক্ত বিভাগৰ সংবাদো থাকে অধিক। ছাত্ৰ-ছাত্ৰ একতা সভাৰ অনুৰোধত নৱাগত আদৰণি সভা আৰু ‘গোলাপ শৰ্মা স্মাৰক তৰ্ক প্ৰতিযোগিতা’তো মাজে মধ্যে ‘কেম্পাছ’ প্ৰকাশ হৈছে। তেনেক্ষেত্ৰত ছপাৰ খৰছ ছাত্ৰ একতা সভাই দিয়ে বাবে ‘কেম্পাছ’ বিনামূলীয়াকৈ বিতৰণ কৰা হয়।

ড° বিমান চন্দ্ৰ চেতিয়াই নৰ্থ লখিমপুৰ কলেজৰ অধ্যক্ষ হিচাপে দায়িত্ব লোৱাৰ পাছত নতুন নতুন ভাল কাম কৰাৰ বাবে সকলোৱে প্ৰেৰণা পাই আহিছে। ‘কেম্পাছ’ তেনে পৰিৱেশৰে এটি সৰু ফচল। হৈ থকা কামৰ প্ৰতি সন্তুষ্টি-অসন্তুষ্টি সকলোৰে থাকেই। ‘কেম্পাছ’ৰ প্ৰতিও আছে। আশা কৰোঁ, কলেজকেন্দ্ৰিক সৰু সমাজখনৰ প্ৰতি দায়ৱদ্ধতা ৰাখি ‘কেম্পাছে’ প্ৰকাশৰ ধাৰাবাহিকতা ৰক্ষা কৰিব।

## নৰ্থ লখিমপুৰ কলেজৰ গ্ৰন্থকেন্দ্ৰিক অনুষ্ঠান

প্ৰবন্ধ

পৰিস্মৃতা ওজা

নৰ্থ লখিমপুৰ কলেজে গ্ৰন্থকেন্দ্ৰিক অনুষ্ঠানসমূহৰ জৰিয়তে বিদ্যায়তনিক ক্ষেত্ৰখনৰ অভূতপূৰ্ব উত্তৰণ ঘটাবলৈ সক্ষম হৈছে। গ্ৰন্থ হৈছে মানৱ সমাজৰ বাবে মহাৰ্ঘ স্বৰূপ। মানৱ সভ্যতাই বিকাশৰ দিশে অগ্ৰসৰ হোৱাত গ্ৰন্থই এক বিশেষ ভূমিকা পালন কৰে। গ্ৰন্থ হৈছে মানুহৰ জ্ঞান বুদ্ধি বিকাশৰ এক অগ্ৰগামী খোজ।

নৰ্থ লখিমপুৰ কলেজৰ গ্ৰন্থকেন্দ্ৰিক অনুষ্ঠান গ্ৰন্থমেলাই মহাবিদ্যালয়ৰ প্ৰাঙ্গনত কিতাপৰ এক বৰ্ণাঢ্য মহোৎসৱৰ আয়োজন কৰে। এই মহোৎসৱে শিক্ষাৰ্থী আৰু স্থানীয় ৰাইজক গ্ৰন্থ অধ্যয়ন কৰিবলৈ উদ্বুদ্ধ কৰে। কলেজখনক অসমৰ বৌদ্ধিক, শৈক্ষিক পৰিৱেশত খাপ খুৱাব পৰাকৈ ই একক আৰু অনন্য সুন্দৰ অনুষ্ঠান। অসমৰ কলেজসমূহত অনুষ্ঠিত গ্ৰন্থমেলাসমূহৰ ভিতৰত এইখনেই প্ৰথম কলেজ গ্ৰন্থমেলা। বিভিন্ন প্ৰতিযোগিতা অনুষ্ঠিত কৰি ছাত্ৰ-ছাত্ৰীৰ সৰ্বাত্মক বিকাশ আৰু স্বকীয়তা প্ৰকাশৰ এক মাধ্যমত পৰিণত হৈছে নৰ্থ লখিমপুৰ কলেজ গ্ৰন্থমেলা।




নৰ্থ লখিমপুৰ কলেজৰ আন এক অগ্ৰণী গ্ৰন্থকেন্দ্ৰিক অনুষ্ঠান হৈছে নৰ্থ লখিমপুৰ কলেজ প্ৰকাশন। মহাবিদ্যালয়ৰ প্ৰাক্তন অধ্যক্ষ হেমেন্দ্ৰ কুমাৰ গগৈ আৰু অসমীয়া বিভাগৰ অধ্যাপক ড° অঞ্জন কুমাৰ ওজাৰ নেতৃত্বত ২০০১ চনত এই প্ৰকাশনে প্ৰতিষ্ঠা লাভ কৰে। ২০১২ চনৰ পৰা প্ৰকাশনৰ সমন্বয়কৰ দায়িত্বত আছে ড° অৰবিন্দ ৰাজখোৱা। প্ৰায় ৬৭ খন গ্ৰন্থ প্ৰকাশেৰে নৰ্থ লখিমপুৰ কলেজৰ প্ৰকাশনে মহাবিদ্যালয়খনক চহকী কৰিছে। তদুপৰি বিভিন্ন গ্ৰন্থ উন্মোচনো কৰা হয়। অসমৰ বৌদ্ধিক, ৰাজনৈতিক আৰু শৈক্ষিক ক্ষেত্ৰখনৰ এক ব্ৰজকণ্ঠ ‘হীৰেন গোঁহাইৰ ৰচনাৱলী (৩য় খণ্ড)’ৰ উন্মোচনে মহাবিদ্যালয়খনৰ দক্ষতা আৰু বৌদ্ধিক স্থিতিকে প্ৰতিপন্ন কৰে।

শিক্ষাৰ্থীৰ সুবিধাৰ্থে ২০১২ চনৰ ১৫ জুন তাৰিখে বিভিন্ন গ্ৰন্থ সমষ্টিৰে নৰ্থ লখিমপুৰ কলেজৰ বিপণী ‘গ্ৰন্থালয়’ মুকলি কৰা হয়। এই বিপণীত প্ৰায়বোৰ কিতাপ ৰেহাই মূল্যত বিক্ৰী কৰা হয়। বোধহয় মহাবিদ্যালয় পৰ্যায়ত এইখনেই অসমৰ প্ৰথমখন গ্ৰন্থ বিপণী। তদুপৰি ২০১৫-১৬ বৰ্ষৰ পৰা অসমীয়া বিভাগত দুৰ্গাপূজাৰ প্ৰাক্‌ক্ষণত এখন ‘গ্ৰন্থৰ লটাৰী’ আয়োজন কৰি অহা হৈছে। এনেধৰণৰ গ্ৰন্থকেন্দ্ৰিক পদক্ষেপে শিক্ষাৰ্থীৰ গ্ৰন্থ অধ্যয়নৰ স্পৃহা দুগুণে বৃদ্ধি কৰে।

নৰ্থ লখিমপুৰ কলেজে ‘নৰ্থ লখিমপুৰ কলেজ আলোচনী’ শীৰ্ষক নামেৰে এখন বাৰ্ষিক আলোচনী প্ৰকাশ কৰে। য’ত শিক্ষাৰ্থীসকলে নিজৰ সুপ্ত প্ৰতিভা প্ৰকাশ কৰাৰ সুযোগ লাভ কৰে। তদুপৰি মহাবিদ্যালয়ৰ এক বৃহত্তৰ অংশ অসমীয়া বিভাগৰপৰা বিভিন্ন বিষয়ৰ গ্ৰন্থ আৰু ‘স্মৃতিৰ সঁফুৰা’ নামৰ এখন বাৰ্ষিক আলোচনীও প্ৰকাশ পায়। এই সমূহে মহাবিদ্যালয়ৰ গ্ৰন্থকেন্দ্ৰিক অনুষ্ঠানসমূহত অসমীয়া বিভাগৰ ভূমিকাৰ উমান দিয়ে।

নৰ্থ লখিমপুৰ কলেজৰ এক বৃহৎ গ্ৰন্থকেন্দ্ৰিক অনুষ্ঠান হৈছে মহাবিদ্যালয়ৰ প্ৰাক্তন অধ্যক্ষ, অসমীয়া বিভাগৰ অধ্যাপক, সাহিত্য অকাডেমী প্ৰাপ্ত, বিশিষ্ট ভাষাবিদ ড° বিশ্বনাৰায়ণ শাস্ত্ৰী দেৱৰ নামেৰে নামাংকিত গ্ৰন্থাগাৰ। য’ত শিক্ষক আৰু শিক্ষাৰ্থীয়ে নীৰৱে বহি একান্ত মনেৰে গ্ৰন্থ অধ্যয়ন কৰিব পাৰে। এইদৰে বিভিন্ন গ্ৰন্থকেন্দ্ৰিক অনুষ্ঠানসমূহৰ জৰিয়তে নৰ্থ লখিমপুৰ কলেজৰ স্বকীয়তা প্ৰকাশৰ লগতে বৌদ্ধিক মহলত নিজৰ স্থিতি শীৰ্ষত ৰাখিবলৈ সক্ষম হৈছে। আশাকৰোঁ এই ধাৰাবাহিকতা বৰ্তাই ৰাখিবলৈ সকলোৱে চেষ্টা কৰিব।

## নাৰী শিক্ষাৰ প্ৰয়োজনীয়তা

**শিল্পী চুতীয়া**

শিক্ষা হৈছে মানৱ জীৱনৰ শাৰীৰিক আৰু মানসিক বিকাশ সাধনৰ এক প্ৰক্ৰিয়া। অৰ্থাৎ শিক্ষাই মানহৰ কৰ্মদক্ষতা, শাৰীৰিক সামৰ্থতা, সামাজিক শিষ্টাচাৰ, মানবীয় গুণ, বিবেচনা শক্তি, পৰিস্কাৰ-পৰিচ্ছন্নতা, কৰ্তব্যবোধ, দায়িত্ববোধ আদি গুণৰ বিকাশ সাধন কৰে। শিক্ষাৰ ওপৰতে জাতি এটাৰ উন্নয়ন, শক্তি, সামৰ্থ, মান-মৰ্যদা আদি নিৰ্ভৰ কৰে। সুষ্ঠ, সৰল শন্তিপূৰ্ণ সামাজিক জীৱন যাপন কৰিবৰ বাবে প্ৰত্যেক ব্যক্তিৰে উপযুক্ত শিক্ষাৰ প্ৰয়োজন। শিক্ষাৰ কোনো বিকল্প নাই। মানৱ জাতি নাৰী আৰু পুৰুষ লৈয়ে গঠিত। সেয় নাৰী আৰু পুৰুষ দুয়োৰে সু- শিক্ষাৰ প্ৰয়োজন আছে। কিন্তু বাস্তৱত কিছু সমাজত পুত্ৰ সন্তানক শিক্ষা দিয়াৰ ক্ষেত্ৰত যিমান গুৰুত্ব দিয়া হয়, কন্যা সন্তানৰ ক্ষেত্ৰত সিমান গুৰুত্ব দিয়া দেখা নাযায়।

পণ্ডিত জৱাহৰলাল নেহেৰুৱে কৈছিল ‘এজন ল’ৰাক শিক্ষা দিয়া মানে এজন পুৰুষক শিক্ষিত কৰি তোলা, কিন্তু এজনী ছোৱালীক শিক্ষিত কৰা মানে এটা পৰিয়ালক শিক্ষিত কৰি তোলা।’

আকৌ এজন দাৰ্শনিকে কৈছিল, ‘সন্তানৰ বাবে এজন পিতৃ এশজন শিক্ষকৰ সমান আৰু এজনী মাতৃ এহেজাৰজন শিক্ষকৰ সমান।’’ নাৰী শিক্ষাৰ পৰম্পৰা ঃ প্ৰাচীন বৈদিক সাহিত্যসমূহত নাৰী শিক্ষাৰ তথ্য পোৱা যায়। সেই সময়ত পুৰুষৰ লগতে নাৰীসকলকো শিক্ষা দিয়াৰ ওপৰত গুৰুত্ব দিয়া হৈছিল। আমি বেদত পাওঁ যে বৈদিক যুগত যাগ-যজ্ঞ, পূজা-পাতল, ধৰ্মীয় কাৰ্য্য আদিত পুৰুষৰ লগতে নাৰী সকলেও অংশগ্ৰহণ কৰিছিল। প্ৰাচীন শাস্ত্ৰত গাৰ্গী মৈত্ৰীয় নামৰ এগৰাকী নাৰীয়ে শ্লোক ৰচনা কৰাৰ উল্লেখ পোৱা যায়। সেইদৰে অগস্ত্য মুনিৰ পত্নী লোপামুদ্ৰা, ঋষি অত্ৰিকন্যা, বিশ্বৰাৰা, সাৱিত্ৰী, ইন্দ্ৰানী আদিয়ে সমাজত বিশেষ ভূমিকা লোৱা কাৰ্য্যৰ পৰা বুজা যায় যে সিহঁত শিক্ষিত আছিল। খ্ৰীঃপূৰ্ব ষষ্ঠ শতিকাত বৌদ্ধধৰ্মৰ অভ্যুদয়ৰ সময়তো নাৰী স্বাধীনতাৰ আৰু নাৰী শিক্ষাৰ উমান পোৱা যায়। সম্ৰাট অশোকে নিজ কন্যা সংঘমিত্ৰাক বৌদ্ধধৰ্ম প্ৰচাৰৰ বাবে সিংহললৈ পঠোৱা ঘঠনাটোৰ পৰা নাৰী যে পুৰুষৰ সমকক্ষ আছিল তাকে প্ৰমাণ কৰে। ভাৰতীয় সমাজত দূৰ্গা, কালী, সৰস্বতী, লক্ষ্মী আদি দেৱীক পূজা কৰা হয়। ইয়াৰ পৰাও প্ৰতীয়মান হয় যে অতীতত ভাৰতবৰ্ষত নাৰী শিক্ষাৰ প্ৰচলন আছিল আৰু সমাজত নাৰীসকলৰ মৰ্য্যদা উচ্চ আছিল।




‘কেম্পাছ’ৰ প্ৰথম বছৰ প্ৰথম সংখ্যাৰ প্ৰথম পৃষ্ঠাটো

## ভূগোল বিভাগৰ উদ্যোগত ৰিম’ট চেন্সিং আৰু GIS ৰ ব্যৱহাৰ সম্পৰ্কীয় কৰ্মশালাৰ সফল সামৰণি

**নৰ্থ লখিমপুৰ কেম্পাচ বাৰ্তা ঃ** ইং ৮ এপ্ৰিল, ২০২৩ তাৰিখ নৰ্থ লখিমপুৰ মহাবিদ্যালয় (স্বা) ৰ ভূগোল বিভাগৰ উদ্যোগত Remote sensing আৰু GIS ৰ ব্যৱহাৰ সম্পৰ্কীয় এক কৰ্মশালা অনুষ্ঠিত হৈ যায়। এই কৰ্মশালাত ছাত্ৰ-ছাত্ৰীসকলক প্ৰশিক্ষণ দিবৰ বাবে গুৱাহাটীৰ GIS Consultont ৰ ৰূপল বৰুৱাক আমন্ত্ৰণ জনোৱা হৈছিল। বিভাগৰ শিক্ষাগুৰুসকলৰ লগতে সমূহ ছাত্ৰ-ছাত্ৰীয়ে কৰ্মশালাত অংশগ্ৰহন কৰে। সমল ব্যক্তি ৰূপল ডাঙৰীয়া প্ৰথমেই এই বিষয় দুটিৰ ওপৰত ছাত্ৰ-ছাত্ৰীক সম্যক জ্ঞান প্ৰদান কৰে আৰু সাম্প্ৰতিক সময়ত ইয়াৰ প্ৰয়োজনীয়তা আৰু চাহিদা সম্পৰ্কে অৱগত কৰে। তাৰ পাছতেই তেখেতে Remote Sensing আৰু GIS কেনেকৈ ব্যৱহাৰ কৰি দৈনন্দিন জীৱন সহজলভ্য কৰি তুলিব পাৰি সেই সম্পৰ্কে ছাত্ৰ-ছাত্ৰীসকলক প্ৰশিক্ষণ প্ৰদান কৰে। তদুপৰি তেখেতৰ নিদেৰ্শনাত ছাত্ৰ-ছাত্ৰীসকলে GPS ৰ ব্যৱহাৰৰ শিক্ষাগ্ৰহন কৰি মহাবিদ্যালয়ৰ চৌহদৰ GPS ৰ সহায়ত এখন মানচিত্ৰ অংকন কৰে। তেখেতে ছাত্ৰ-ছাত্ৰীসকলক বিভিন্ন Software ব্যৱহাৰ কৰি GPS ৰ সহায়ত মানচিত্ৰ নিৰ্মান কৰিবলৈও প্ৰশিক্ষণ প্ৰদান কৰে। এদিনীয়াকৈ অনুষ্ঠিত হোৱা এই কৰ্মশালাই ছাত্ৰ-ছাত্ৰীসকলক যথেষ্ট উপকৃত কৰে। সমূহ শিকাৰু তথা শিক্ষাগুৰুসকলৰ সহযোগিতাই কৰ্মশালাখনক সাফল্যমণ্ডিত কৰি তোলে।

## ঘোষণা

‘কেম্পাছ’ নৰ্থ লখিমপুৰ মহাবিদ্যালয় প্ৰকাশনে প্ৰকাশ কৰা এখন উপলক্ষ্যমূলক কাকত। **কাকতখনৰ চৰ্ত সম্পূৰ্ণৰূপে প্ৰকাশন সমিতিৰ।** কাকতখন মহাবিদ্যালয় প্ৰকাশনৰ সীমিত উপাৰ্জনৰ ধনেৰে সীমিত সুবিধাৰ মাজেৰে প্ৰকাশ কৰা হয়। কেনো পেচাদাৰী ব্যক্তি কাকতখনৰ লগত জড়িত নহয়। কাকতখনৰ জন্মলগ্নৰেপৰা অসমীয়া বিভাগৰ স্নাতকোত্তৰ আৰু স্নাতক শ্ৰেণীৰ ছাত্ৰ-ছাত্ৰীসকলে প্ৰতিবেদক বা লেখক সেৱা আগবঢ়াই আহিছে। লগতে আন বিভাগৰ নিৰ্বাচিত ছাত্ৰ-ছাত্ৰীও জড়িত হৈছে। এই সকলোকে লৈ ‘কেম্পাছ’ পৰিয়াল। পঢ়ুৱৈসকলৰ পৰামৰ্শ, সমালোচনা তথা আন যিকোনো মন্তব্য আমাৰ কাম্য আৰু সেয়া প্ৰকাশৰো ব্যৱস্থা কৰা হ’ব। ‘কেম্পাছ’ত ৰোৱা যিকোনো ভুল-ভ্ৰান্তিৰ বাবে আমি ক্ষমাপ্ৰাৰ্থী

**—সম্পাদনা কক্ষ**



কলেজ চৌহদৰ সংৰক্ষিত বনাঞ্চলৰ এটি সখিয়তী

## শিক্ষাতত্ত্ব বিভাগৰ উদ্যোগত
# মাজুলীত সম্প্ৰসাৰণ কাৰ্যসূচী

**নিজা প্ৰতিবেদক ঃ** নৰ্থ লখিমপুৰ মহাবিদ্যালয় (স্বায়ত্তশাসিত)ৰ শিক্ষাতত্ত্ব বিভাগে মাজুলী সাংস্কৃতিক বিশ্ববিদ্যালয়ত ১০.০৩.২০২৩ তাৰিখে এক ক্ষেত্ৰ অধ্যয়ন আৰু সম্প্ৰসাৰণ কাৰ্যসূচী অনুষ্ঠিত কৰা হয়। এই শিক্ষানুষ্ঠানত দুয়োখন শিক্ষানুষ্ঠানৰে ছাত্ৰ-ছাত্ৰী আৰু অধ্যাপকৰ মাজত এক আন্তৰ্জাতিক কাৰ্যসূচী আয়োজন কৰা হৈছিল য'ত বিশ্ববিদ্যালয়খনৰ মাননীয় উপাচাৰ্য অধ্যাপক নিৰোদ বৰুৱাই সকলোৰে আগত তেওঁৰ চিন্তা-উদ্দীপক ভাষণ প্ৰদান কৰে। সংস্কৃতি বিশ্ববিদ্যালয়ৰ গুৰুত্বৰ সম্পৰ্কে কলেজৰ উপাধ্যক্ষ তথা শিক্ষা বিভাগৰ অধ্যাপক বাণীকান্ত কোঁৱৰ আৰু সহকাৰী অধ্যাপক ড° ইশ্মিৰেখা সন্দিকৈয়ে তেওঁলোকৰ বহুমূলীয়া ভাষণ প্ৰদান কৰে। অনুষ্ঠানত ড° ভাস্কৰজ্যোতি বৰুৱা, খিৰসিন্ধু শইকীয়া, শেখৰজ্যোতি নেওগ, ড° সুভাজ্যোতি বৰগোহাঁই, ড° হিমাদ্ৰী শইকীয়া, বিদিশা কোঁৱৰ, টুটুমনি ফুকনকে ধৰি ছাত্ৰ-ছাত্ৰীসকল উপস্থিত থাকে। শিক্ষা বিভাগে মাজুলীৰ জিলা প্ৰশাসনৰ সৈতে প্ৰশাসনিক সেৱা বিষয়ক এক প্ৰেৰণাদায়ক আলোচনাৰ আয়োজন কৰে। কেৰিয়াৰ আৰু পথ প্ৰদৰ্শনৰ ওপৰত এক মূল্যৱান বক্তৃতা প্ৰদান কৰে নেত্ৰ কমল বৰা, সহকাৰী আয়ুক্ত ডাঃ ভাৰত কোঁৱৰ আৰু নিৰ্বাচনী বিষয়া কেশৱানন্দ টাইদে। এনে গুৰুত্বপূৰ্ণ বক্তৃতাৰ বাবে মাজুলী জিলাৰ উপাযুক্ত শ্ৰীমতী কাবেৰী বৰকাকতি শৰ্মাক ধন্যবাদ প্ৰদান কৰে। শিক্ষা বিভাগেও মাজুলীৰ আউনীআটীসত্ৰ পৰিদৰ্শন কৰি শ্ৰী পীতাম্বৰদেৱ গোস্বামীৰ সৈতে আধ্যাত্মিক বিকাশৰ প্ৰাসংগিকতাৰ সম্পৰ্কে মত বিনিময় কৰে। এই কাৰ্যসূচীৰ সমন্বয়ক আছিল নৰ্থ লখিমপুৰ মহাবিদ্যালয় (স্বায়ত্তশাসিত) শিক্ষা বিভাগৰ সহকাৰী অধ্যাপক ৰাজেন মণ্ডল।

# হিন্দী বিভাগৰ উদ্যোগত ‘হিন্দী ভাষা শিক্ষণ কৌশল’ শীৰ্ষক এদিনীয়া কৰ্মশালা

**নিজা প্ৰতিবেদক ঃ** ইংৰাজী ২৩ এপ্ৰিল ২০২৩ তাৰিখে নৰ্থ লখিমপুৰ কলেজ (স্বায়ত্তশাসিত)ৰ হিন্দী বিভাগৰ উদ্যোগত ‘হিন্দী ভাষা শিক্ষণ কৌশল’ শীৰ্ষক এখনি এদিনীয়া কৰ্মশালা অনুষ্ঠিত হৈ যায়। উক্ত অনুষ্ঠানত




তেজপুৰ কেন্দ্ৰীয় বিশ্ববিদ্যালয়ৰ হিন্দী বিভাগৰ জ্যেষ্ঠ সহকাৰী অধ্যাপক ড° অনুশব্দ দেৱ সমল ব্যক্তি হিচাপে উপস্থিত থাকে। তেখেতে অতি সুন্দৰকৈ আৰু স্পষ্টভাৱে হিন্দী ভাষা শিক্ষণৰ ক্ষেত্ৰত সন্মুখীন হোৱা সমস্যা (বিশেষকৈ অহিন্দী ভাষী) সমূহৰ বিষয়ে সবিশেষ ছাত্ৰ ছাত্ৰীক জানিবলৈ দিয়াৰ লগে লগে সমাধানৰ কথাও আলোচনা কৰে। সভাত আদৰণি ভাষণ প্ৰদান কৰে মহাবিদ্যালয়ৰ অধ্যক্ষ ড° বিমান চন্দ্ৰ চেতিয়াই। বিভাগৰ মুৰব্বী ড° নন্দিতা দত্তই আঁত ধৰা সভাখনত বিভাগৰ সহকাৰী অধ্যাপক ড° অৰ্চনা হাজৰিকা আৰু প্ৰণিতা গগৈৰ লগতে মহাবিদ্যালয়ৰ দুয়ো গৰাকী উপাধ্যক্ষ আৰু কেবাগৰাকীও অধ্যাপকে সভাত উপস্থিত থাকি সভাখন সাফল্যমন্দিত কৰাত সহায় কৰে।

# ৰসায়ন বিজ্ঞান বিভাগৰ বাটৰ নাট প্ৰদৰ্শন

**নিজা প্ৰতিবেদক ঃ** ৰাষ্ট্ৰীয় বিজ্ঞান দিৱস (২৮-০৮-২০২৩)ৰ উপলক্ষে নৰ্থ লখিমপুৰ কলেজত দুদিনীয়া কাৰ্যসূচীৰে অনুষ্ঠিত হোৱা Scionics 1.0 শীৰ্ষক অনুষ্ঠানটিত ৰসায়ন বিজ্ঞান বিভাগৰ জুবিন হাজৰিকাৰ দ্বাৰা ৰচনা আৰু পৰিচালনাৰে ‘অন্ধকাৰ কেঁকুৰিত বিজ্ঞানৰ জিলিঙনি’ নামৰ এখন বাটৰ নাট অনুষ্ঠিত হয়। উক্ত নাটখনিত ৰসায়ন বিজ্ঞান বিভাগৰ মনোজ বৰা আৰু প্ৰণামী বৰাই অংশগ্ৰহণ কৰে।

# দৰ্শন বিভাগৰ উদ্যোগত বক্তৃতা অনুষ্ঠান

**নিজা প্ৰতিবেদক ঃ** ইংৰাজী ২৫ মে ২০২৩ তাৰিখে বিবেকানন্দ কেন্দ্ৰ কন্যাকুমাৰী সাংস্কৃতিক প্ৰকল্পৰ উদ্যোগত অসমৰ শিক্ষা বিভাগ আৰু নৰ্থ লখিমপুৰ কলেজৰ শিক্ষা বিভাগ আৰু দৰ্শন বিভাগৰ সহযোগত G-20, C-20 উদ্দেশ্যে “Diversity, Inclusion, Mutual, Respect” ওপৰত এটা বক্তৃতা অনুষ্ঠান আয়োজন কৰে। অনুষ্ঠানটোৰ বন্তি প্ৰজ্বলন কৰে নৰ্থ লখিমপুৰ কলেজৰ অধ্যক্ষ ড° বিমান চন্দ্ৰ চেতিয়াই। সভাৰ উদ্দেশ্যে ব্যাখ্যা আগবঢ়ায় নৰ্থ লখিমপুৰ কলেজৰ শিক্ষা বিভাগৰ সহকাৰী অধ্যাপক ইশ্মিৰেখা সন্দিকৈয়ে। সভাৰ উদ্বোধনী ভাষণ আগবঢ়ায় নৰ্থ লখিমপুৰ কলেজৰ উপাধ্যক্ষ (শৈক্ষিক) বাণীকান্ত কোঁৱৰে। বিবেকানন্দ কেন্দ্ৰ কন্যা কুমাৰীৰ বিভাগ সংগঠক পম্ফা ৰাণাই কেন্দ্ৰৰ পৰিচয় আগবঢ়োৱাৰ পিছত Vivekaananda Kendra Kanyakumari, Viekananda Kendra Institute of Culture আৰু C-20ত কেন্দ্ৰ সৰ্বভাৰতীয় উপ-সভাপতি নিবেদিতা ডিড়ে দিদিৰ অংশ গ্ৰহণৰ দৃশ্য-শ্ৰাব্য প্ৰদৰ্শন কৰা হয়। অনুষ্ঠানটোত সমল ব্যক্তি হিচাপে নৰ্থ লখিমপুৰ কলেজৰ অৱসৰপ্ৰাপ্ত উপাধ্যক্ষ তথা জিনিয়াছ একাডেমীৰ ৰেক্টৰ তথা বিশিষ্ট বিজ্ঞান লেখক ড° অমিয়া ৰাজবংশীয়ে বিষয়টোৰ ওপৰত সাৱলীল বক্তব্য আগবঢ়ায়। উপস্থিত ব্যক্তিসকলৰ পৰা বক্তব্য আগবঢ়ায় নৰ্থ লখিমপুৰ কলেজৰ ভূগোল বিভাগৰ মুৰব্বী ড° স্বপ্নালী গগৈ আৰু গোবিন শইকীয়াই। সমগ্ৰ অনুষ্ঠানটোৰ আঁত ধৰে নৰ্থ লখিমপুৰ কলেজৰ দৰ্শন বিভাগৰ মুৰব্বী ড° বৰ্ণালী বৰাই।

# হিন্দী বিভাগৰ অভিভাৱক সন্মিলন

**নিজা প্ৰতিবেদক ঃ** নৰ্থ লখিমপুৰ কলেজ (স্বায়ত্তশাসিত)ৰ হিন্দী বিভাগৰ উদ্যোগত ইংৰাজী ২১-৩-২৩ তাৰিখে এখন শিক্ষক-অভিভাৱক সন্মিলন অনুষ্ঠিত হৈ যায়। গৰিষ্ঠসংখ্যক অভিভাৱকৰ উপস্থিতিত এই সভাখনৰ আদৰণি ভাষণ প্ৰদান কৰে মহাবিদ্যালয়ৰ অধ্যক্ষ ড° বিমান চন্দ্ৰ চেতিয়াই।সভাত




বৰ্তমান শিক্ষা জগতত অভিভাৱক আৰু শিক্ষকৰ দায়িত্ব সম্পৰ্কে ব্যক্ত কৰে। উপস্থিত অভিভাৱকৰ প্ৰায় সকলোয়ে নিজৰ মতামত দাঙি ধৰাৰ লগতে প্ৰতি বছৰে এনে সভাৰ প্ৰয়োজনীয়তাৰ কথাটোত গুৰুত্ব দিয়ে। ড° নন্দিতা দত্তই সভাপতিত্ব কৰা সভাখনত উপস্থিত থাকে বিভাগৰ দুয়োগৰাকী সহকাৰী অধ্যাপক ড° অৰ্চনা হাজৰিকা আৰু প্ৰণিতা গগৈয়ে।

# নৰ্থ লখিমপুৰ কলেজত ভোলানাথ বৰুৱাৰ মৃত্যু শতবাৰ্ষিকী উপলক্ষ্যে আলোচনা-চক্ৰ

**নিজা প্ৰতিবেদক ঃ** ‘ভোলানাথ বৰুৱা এজন সাধাৰণ ব্যৱসায়ী নাছিল, সমাজ-সংস্কৃতিৰ প্ৰতি অত্যন্ত দায়বদ্ধ এইগৰাকী ব্যক্তিয়ে অসমীয়া জাতিৰ নৱজাগৰণক যথেষ্ট ত্বৰান্বিত কৰিছিল।’— এই মন্তব্য ড° অৰবিন্দ ৰাজখোৱাৰ। আজি নৰ্থ লখিমপুৰ কলেজত ভোলানাথ বৰুৱাৰ মৃত্যু শতবাৰ্ষিকী উপলক্ষ্যে আয়োজিত এক গাম্ভীৰ্যপূৰ্ণ আলোচনা-সভাত তেওঁ এইদৰে কয়। ড° ৰাজখোৱাই ‘ঔপনিৱেশিক অসমৰ সমাজ-ৰাজনৈতিক প্ৰেক্ষাপট আৰু ভোলানাথ বৰুৱা’ শীৰ্ষক




বক্তৃতা প্ৰদান কৰি এই প্ৰখ্যাত অসমীয়াগৰাকীৰ ঐতিহাসিক গুৰুত্ব সম্পৰ্কে কয়। পৰাধীন অসমত ব্যৱসায়ৰ যোগেদি স্বচ্ছল হৈ দান আৰু সাহায্যৰে জাতীয় জীৱনক শক্তিশালী কৰা মাণিকচন্দ্ৰ বৰুৱা, জগন্নাথ বৰুৱা, ৰাধাকান্ত সন্দিকৈ আদি ব্যক্তিৰ অৱদানৰ বিষয়েও তেওঁ প্ৰসঙ্গক্ৰমে কয়। তেওঁ ঊনবিংশ শতিকাৰ যথেষ্ট সংখ্যক আলোকচিত্ৰও প্ৰদৰ্শন কৰে। মহাবিদ্যালয়খনৰ অসমীয়া বিভাগৰ উদ্যোগত আয়োজিত এই অনুষ্ঠানটোৰ আঁত ধৰে সহকাৰী অধ্যাপক প্ৰকাশজ্যোতি শইকীয়াই আৰু সভাপতিত্ব কৰে সহযোগী অধ্যাপক ড° ধনৰঞ্জন কলিতাই। আলোচনা-চক্ৰৰ আন এগৰাকী সমল ব্যক্তি ড° ধীৰাজ পাটৰে ঊনবিংশ শতিকাৰ সময়ছোৱাত ইংলেণ্ডৰ অৰ্থনৈতিক ব্যৱস্থাৰ আধাৰত অসমত ন-কৈ গঢ় লৈ উঠা বাণিজ্যিক প্ৰেক্ষাপটৰ বিষয়ে কিছু কথা ব্যক্ত কৰে। তেওঁ অসমৰ বাণিজ্যিক অৰ্থনীতিৰ ভেটি নিৰ্মাণত কমলাকান্ত ভট্টাচাৰ্য, ৰাধাচৰণ বৰুৱা, হৰিবিলাস আগৰৱালা আদি অসমীয়া ব্যৱসায়ীসকলে আগবঢ়োৱা অৱদানৰ কথা কয়। ভোলানাথ বৰুৱাই নগাঁৱৰ পুৰণি গুদামৰপৰা গৈ কলিকতাত থাকি আন্তঃৰাষ্ট্ৰীয় পৰ্যায়তো ব্যৱসায়ত খ্যাতি অৰ্জন কৰা পৰিক্ৰমাটোৰ বিষয়ে পাটৰৰ বক্তৃতাৰ জৰিয়তে প্ৰকাশ পায়। ড° পাটৰে বক্তব্যৰ মাজত যোৰহাটস্থিত কাৰিকৰী প্ৰতিষ্ঠান ‘প্ৰিন্স অৱ ৱেলচ’ৰ প্ৰতিষ্ঠাৰ আঁৰত থকা ভোলানাথ বৰুৱাৰ ত্যাগৰ লগতে জাতিপ্ৰেম তথা ভাষা-সাহিত্যৰ প্ৰতি থকা তেওঁৰ দায়বদ্ধতাৰ পৰিচিতি প্ৰদান কৰে। আজিৰ আলোচনাত এই কথাত খেদ প্ৰকাশ কৰা হয়যে, এনে এজন ব্যতিক্ৰমী চিন্তাৰ ব্যক্তিৰ বিষয়ে চৰ্চা কৰিবলৈও অসমীয়া মানুহৰ আহৰি নাই। ভোলানাথ বৰুৱাৰ দৰে ব্যক্তিয়ে ব্যৱসায়ৰ জৰিয়তে কেৱল ব্যক্তিগত লাভালাভৰ কথা নাভাবি কেনেদৰে অসমৰ শৈক্ষিক-সামাজিক ক্ষেত্ৰখনৰ উত্তৰণত আৰ্থিক আৰু মানসিক সহায়-সহযোগিতা আগবঢ়ালে সেই সম্পৰ্কে চিন্তা-চৰ্চা হোৱাটো যে প্ৰয়োজনীয়। সভাপতি ড° ধনৰঞ্জন কলিতাই ভোলানাথ বৰুৱাৰ দৰে ব্যক্তিৰ চৰ্চাই অসমীয়া বিভাগৰ ছাত্ৰ-ছাত্ৰীসকলৰ অধ্যয়নক নতুন মাত্ৰা দিব বুলি আশা প্ৰকাশ কৰে। অনুষ্ঠানটোত সহকাৰী অধ্যাপক ড° হেমন্ত শৰ্মা, মুনমী দত্তৰ লগতে ভালেসংখ্যক গৱেষক আৰু ছাত্ৰ-ছাত্ৰী উপস্থিত থাকে।

# মাৰ্ঘেৰিটাৰ কেতেটং চিংফৌ গাঁৱত নৰ্থ লখিমপুৰ কলেজৰ উদ্যোগত আলোচনা-চক্ৰ

**নিজা প্ৰতিবেদক ঃ** নৰ্থ লখিমপুৰ কলেজৰ অসমীয়া বিভাগৰ উদ্যোগত মাঘেৰিটাৰ কেতেটং চিংফৌ গাঁৱত ‘চিংফৌসকলৰ লোকসংস্কৃতি আৰু পৰ্যটনৰ সম্ভাৱনা’ — এই শীৰ্ষক এক আলোচনা-চক্ৰ আৰু ক্ষেত্ৰ ভ্ৰমণ কাৰ্যসূচী সম্পন্ন হৈ যায়। ৩ জুনৰপৰা ৪ জুনলৈ দুদিনীয়াকৈ অনুষ্ঠিত এই অনুষ্ঠান আয়োজনত সহযোগিতা কৰে নাহৰকটীয়া কলেজৰ অসমীয়া বিভাগ আৰু কেতেটঙৰ জনজাতি উচ্চ মাধ্যমিক বিদ্যালয়ে। নৰ্থ লখিমপুৰ কলেজৰ অসমীয়া বিভাগৰ মুৰব্বী ড° অৰবিন্দ ৰাজখোৱাৰ সঞ্চালনাত অনুষ্ঠিত আলোচনা-চক্ৰৰ প্ৰথম



সত্ৰত সমল ব্যক্তি হিচাপে অংশ গ্ৰহণ কৰে চৰকাৰৰ অসম গৌৰৱ বঁটা প্ৰাপক মানজে লাই। ইতিমধ্যে চিংফৌ ইক' ল'জ প্ৰতিষ্ঠা কৰি লোকসংস্কৃতিক পৰ্যটনৰ ক্ষেত্ৰ হিচাপে পঢ়ি তোলা মানজে লাই প্ৰায় বিশ বছৰ ধৰি যত্ন কৰি গঢ়ি তোলা নিজৰ ব্যৱসায় ক্ষেত্ৰৰ ইতিবৃত্তক আধাৰ কৰি বক্তৃতা আগবঢ়ায়। তেওঁ ইতিমধ্যে চিংফৌসকলৰ পৰম্পৰাগত চাহ ‘ফানাপ’ৰ ব্যৱসায় কৰিও বিশেষ সফলতা অৰ্জন কৰিছে। লোকসংস্কৃতিক কেন্দ্ৰ কৰি অধিক মানুহৰ সংস্থাপিত হ'ব পৰাকৈ সৃষ্টি হ'ব পৰা ক্ষেত্ৰসমূহৰ বিষয়েও তেওঁ ব্যাখ্যা আগবঢ়ায়। আন এগৰাকী সমল ব্যক্তি ৰাজীৱ নিংখীয়ে চিংফৌ জনগোষ্ঠীৰ ইতিবৃত্ত আৰু বৰ্তমান ইয়াৰ স্থিতি সম্পৰ্কে বক্তৃতা প্ৰদান কৰে। তেওঁ ইতিমধ্যে চিংফৌসকলৰ লোকসংস্কৃতিৰ বিষয়ে সম্পন্ন হোৱা অধ্যয়ন আৰু গৱেষণাৰো ৰূপৰেখা দাঙি ধৰে। চিংফৌ জাতীয় পৰিষদৰ সাধাৰণ সম্পাদক অমিয় নিংদা, নৰ্থ লখিমপুৰ কলেজৰ সহকাৰী অধ্যাপিকা মুনমী দত্ত, প্ৰকাশজ্যোতি শইকীয়া আৰু নাহকটীয়া কলেজৰ সহকাৰী অধ্যাপক ড° পৰেশ খনিকৰেও আলোচনাত ভাগ লয়। দ্বিতীয় দিনাৰ সত্ৰ সঞ্চালনা কৰে ৰাজীৱ নিংখীয়ে। এই সত্ৰত সমল ব্যক্তি হিচাপে অংশ লয় শান্তিনাথ গুডুং, সৰ্বজিৎ লিম্বু, সীমান্ত দত্ত, ৰমা বৰা আৰু অনুপম বৰকটকীয়ে। কেউজন সমল ব্যক্তিয়ে চিংফৌসকলৰ ধৰ্মীয় জীৱন চৰ্চা, প্ৰকৃতিৰ লগত সম্পৰ্ক, খাদ্যাভ্যাস, সাজপাৰ, কৃষি, গৃহ নিৰ্মাণ প্ৰণালী আদিৰ ঐতিহ্য আৰু বৰ্তমান সম্পৰ্কে আলোকপাত কৰে। এই আলোচনা-সত্ৰৰ সমান্তৰালভাৱে অংশগ্ৰহণকাৰী গৱেষক আৰু ছাত্ৰ-ছাত্ৰীসকলে কেতেটং গাঁও পৰিভ্ৰমণ কৰি সংস্কৃতিৰ স্বাক্ষুষ অভিজ্ঞতা অৰ্জন কৰে। তেওঁলোকে সমান্তৰাল পৰ্যটনৰ আধাৰ হিচাপে বিবেচিত হ'ব পৰা কাষৰীয়া ফাকে গাঁও আৰু তাৰ বৌদ্ধ মঠ, ডিগবৈৰ ‘অইল মিউজিয়াম’, মাৰ্ঘেৰিটাৰ কয়লা মিউজিয়াম, লিডুৰ কয়লা খনি, ষ্টিলৱেল পথ আদিলৈ গৈও সম্ভাৱনা সম্পৰ্কে অধ্যয়ন কৰে। এই কাৰ্যসূচীত গৱেষক আৰু ছাত্ৰ-ছাত্ৰীৰ দলটোক সহযোগ কৰে স্থানীয় পানলং ওমপপ, নংলন নিংখী আৰু দীপক হাজৰিকাই। উল্লেখযোগ্য যে, আলোচনা-চক্ৰত অংশগ্ৰহণকাৰী সকলে কেতেটং গাঁৱৰ কেইবাটাও পৰিয়ালৰ ঘৰত পৰ্যটক হিচাপে নিৰ্দিষ্ট ‘পেকেজ’ত আতিথ্য গ্ৰহণ কৰি গ্ৰাম্য পৰ্যটনৰ আৰম্ভণি কৰে। নৰ্থ লখিমপুৰ কলেজৰ অসমীয়া বিভাগে যোৱা প্ৰায় ডেৰ দশক ধৰি অব্যাহত ৰখা ‘কিতাপ পঢ়াৰ আন্দোলন’ৰ অংশ হিচাপে কেতেটঙৰ জনজাতি উচ্চ মাধ্যমিক বিদ্যালয়ৰ পুথিভঁৰাললৈ এটা গ্ৰন্থৰ টোপোলা আগবঢ়ায়। প্ৰকৃতাৰ্থত ক্ষেত্ৰলৈ গৈ ফলপ্ৰসু আলোচনা-চক্ৰখন অনুষ্ঠিত কৰি মহাবিদ্যালয় শৈক্ষিক বাতাবৰণ গতিশীল কৰি তোলাৰ বাবে আলোচনা-সত্ৰৰ অংশগ্ৰণকাৰীসকলে সন্তোষ প্ৰকাশ কৰে। নৰ্থ লখিমপুৰ কলেজৰ অধ্যক্ষ ড° বিমান চন্দ্ৰ চেতিয়া আৰু নাহৰটকীয়া কলেজৰ অধ্যক্ষ ড° জ্যোতিপ্ৰসাদ কোঁৱৰে আয়োজনৰ লগত জড়িত আটাইকে ধন্যবাদ জ্ঞাপন কৰে।

# ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ আন্তঃমহাবিদ্যালয়ৰ ক্ৰিকেট প্ৰতিযোগিতাত নৰ্থ লখিমপুৰ কলেজ চেম্পিয়ন

**‘কেম্পাছ’ৰ হৈ উদ্ধৱ তামুলী ফুকন ঃ** ইংৰাজী ১৪. ফেব্ৰুৱাৰী ২০২৩ তাৰিখে নৰ্থ লখিমপুৰ কলেজ আৰু নাহৰকটিযা কলেজৰ মাজত ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ আন্তঃমহাবিদ্যালয় ক্ৰিকেট প্ৰতিযোগিতাৰ চূড়ান্ত খেলখন অনুষ্ঠিত হৈ যায়। চূড়ান্ত মেচখনীৰ উদ্বোধনী অনুষ্ঠানত



বিশ্ববিদ্যালয়ৰ বহুকেইজন অধ্যাপক উপস্থিত থাকে আৰু তেওঁলোকে খেলুৱৈসকলক উদ্দেশ্যি দু-আষাৰ কয় আৰু মেচখনৰ বাবে শুভেচ্ছা বাৰ্তা প্ৰেৰণ কৰে। ৰাষ্ট্ৰীয় সংগীতেৰে মেচখন শুভাৰম্ভ কৰা হয়। টচত জিকি নাহৰকটিয়া কলেজে প্ৰথম বেটিং কৰাৰ সিদ্ধান্ত লয় আৰু বেটিং কৰি ৩৫ অভাৰত ১৪৪ ৰাণৰ লক্ষ্য নিৰ্ধাৰণ কৰি দিয়ে। ইয়াৰ প্ৰত্যুত্তৰত নৰ্থ লখিমপুৰ কলেজে ২৯ অভাৰত ৬টা উইকেট হেৰুৱাই ১৪৪ ৰাণ কৰি জয় নিশ্চিত কৰে। মেচখন সমাপ্ত হোৱাৰ কিছুসময়ৰ পিছতেই বঁটা বিতৰণী সভা অনুষ্ঠিত হয়। সভাত বিশ্ববিদ্যালয়ৰ বহুকেইজন অধ্যাপকৰ লগতে বিশ্ববিদ্যালয়ৰ স্পৰ্টছ ব'ৰ্ডৰ (SPORTS BOARD) সম্পাদক আৰু প্ৰতিযোগিতাৰ পৰিচালকসকল উপস্থিত থাকে। নাহৰকটিয়া কলেজৰ দলটোক ট্ৰফী, ৰূপৰ পদক আৰু প্ৰমাণ পত্ৰ প্ৰদান কৰা হয়। বিজয়ী নৰ্থ লখিমপুৰ কলেজ (স্বা.) দলটোক **নন্দলাল বৰগোঁহাই স্মাৰক চেম্পিয়নশ্বিপ ট্ৰফী (চলন্ত)**, বিজয়ী ট্ৰফী, স্বৰ্ণ পদক আৰু প্ৰমাণ পত্ৰ প্ৰদান কৰে। নৰ্থ লখিমপুৰ কলেজৰ কুলদিপ গগৈয়ে ‘মেন অব দা মেচ’ আৰু আজাহাৰ মছুদ চৌধাৰীয়ে ‘মেন অব দা চিৰিজ’ খিতাপ অৰ্জন কৰে। সুদীৰ্ঘ দহ বছৰৰ পিছত নৰ্থ লখিমপুৰ কলেজে (স্বা.) ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ আন্তঃমহাবিদ্যালয়ৰ ক্ৰিকেট প্ৰতিযোগিতাত চূড়ান্ত বিজয়ীৰ (চেম্পিয়ন) খিতাপ অৰ্জন কৰাৰ বাবে মহাবিদ্যালয়ৰ অধ্যক্ষ ড° বিমান চন্দ্ৰ চেতিয়াৰ লগতে সমূহ শিক্ষাগুৰু আৰু ছাত্ৰ-ছাত্ৰীসকল অতিকৈ আনন্দিত হয়। মহাবিদ্যালয় কৰ্তৃপক্ষই উক্ত দলটোৰ সদস্যসকলক অভিনন্দন জ্ঞাপন কৰে। লখিমপুৰ ১১১ নং বিধান সভা সমষ্টিৰ বিধায়ক মানৱ ডেকা আৰু লখিমপুৰ ক্ৰিকেট সংস্থায়ো ছ'চিয়েল মিডিয়াৰ মাধ্যমেদি দলটোক অভিনন্দন জনায়।

প্ৰথম পৃষ্ঠাৰ পাছৰ পৰা—

# অধ্যক্ষৰ আদৰণি ভাষণৰ পূৰ্ণপাঠ

শিক্ষাৰে শিক্ষিত কৰি তোলাত মহাবিদ্যালয়খনে কেতিয়াও চেষ্টাৰ ত্ৰুটি কৰা নাই। মহাবিদ্যালয়খনিয়ে 2013 চনত অসমৰ শৈক্ষিক ইতিহাসত নজিৰ সৃষ্টি কৰি অসমৰ প্ৰথমখন স্বায়ত্ত শাসিত মহাবিদ্যালয় হিচাপে স্বীকৃতি লাভ কৰে।

বৰ্তমান মহাবিদ্যালয়খনত প্ৰায় 3500 জন শিক্ষাৰ্থীয়ে শিক্ষা গ্ৰহণ কৰি আছে। মহাবিদ্যালয়খনত বৰ্তমান 21 টা বিভাগত ছাত্ৰ-ছাত্ৰীসকলে স্নাতক পৰ্যায়ৰ শিক্ষা গ্ৰহণৰ সুবিধা আছে। বিগত বছৰসমূহত মহাবিদ্যালয়ৰ পৰা এক বুজন সংখ্যক ছাত্ৰ-ছাত্ৰীয়ে বিশেষ কৃতিত্বৰে স্নাতক ডিগ্ৰী লাভ কৰিছে। ইয়াৰ লগতে মহাবিদ্যালয়ৰ পৰা স্নাতক ডিগ্ৰী লাভ কৰা ছাত্ৰ-ছাত্ৰীসকলে ভাৰতবৰ্ষৰ আগশাৰীৰ উচ্চ শিক্ষা প্ৰতিষ্ঠান যেনে আই আই টি, এন আই টি, বেনাৰস হিন্দু বিশ্ববিদ্যালয়, জৱাহৰলাল নেহেৰু বিশ্ববিদ্যালয়, তেজপুৰ বিশ্ববিদ্যালয়, উত্তৰ পূব পাৰ্বত্য বিশ্ববিদ্যালয়, চিকিম কেন্দ্ৰীয় বিশ্ববিদ্যালয়, নেৰিষ্ট, পণ্ডিচেৰী বিশ্ববিদ্যালয়, হায়দৰাবাদ বিশ্ববিদ্যালয়, গুৱাহাটী বিশ্ববিদ্যালয় আৰু ডিব্ৰুগড় বিশ্ববিদ্যালয়ত শিক্ষা লাভৰ সুবিধা লাভ কৰিছে। এক বৃহৎ সংখ্যক স্নাতক ডিগ্ৰীধাৰী ছাত্ৰ-ছাত্ৰীয়ে উচ্চ শিক্ষাৰ বাবে আগশাৰীৰ প্ৰতিষ্ঠানসমূহত স্থান লাভ কৰাটোৱে মহাবিদ্যালয়খনিৰ শৈক্ষিক মানক প্ৰতিনিধিত্ব কৰে। মহাবিদ্যালয়খনৰ এঘাৰটা বিভাগ ক্ৰমে— অসমীয়া, ৰাজনীতি বিজ্ঞান, ৰসায়ন বিজ্ঞান, অণু বিদ্যুৎ বিভাগ, ইংৰাজী, পদাৰ্থ বিজ্ঞান, প্ৰাণী বিজ্ঞান, উদ্ভিদ বিজ্ঞান, অৰ্থনীতি, শিক্ষাতত্ত্ব আৰু গণ মাধ্যম বিষয়ত স্নাতকোত্তৰ শ্ৰেণী আছে। স্নাতকোত্তৰ মহলাৰ ছাত্ৰ-ছাত্ৰীসকলৰ সফলতাও বিশেষভাৱে উল্লেখনীয়। ইতিমধ্যে প্ৰায় ৬০ গৰাকী ছাত্ৰ-ছাত্ৰীয়ে নেট আৰু শ্লেট পাবলৈ সক্ষম হৈছে। অসমীয়া বিভাগৰ ১৫ গৰাকী ছাত্ৰ-ছাত্ৰীয়ে বিশ্ববিদ্যালয় অনুদান আয়োগৰ জে. আৰ. এফ. পাবলৈও সক্ষম হৈছে। আমাৰ মহাবিদ্যালয়ৰ পৰা স্নাতকোত্তৰ ডিগ্ৰী লাভ কৰা ভালেসংখ্যক ছাত্ৰ-ছাত্ৰীয়ে মহাবিদ্যালয়ৰ সহকাৰী অধ্যাপক বা তেনেধৰণৰ পদত নিযুক্তিও লাভ কৰিছে।

২০২০ চনত নৰ্থ লখিমপুৰ কলেজত গৱেষণাৰ পাঠ্যক্ৰম আৰম্ভ হয়। সেইটো বছৰতে অসমীয়া বিভাগে এম.ফিল.ৰ পাঠ্যক্ৰম আৰম্ভ কৰে। ক্ৰমাৎ আন বিভাগেও এই দিশত অৱদান আগবঢ়ায় আৰু বৰ্তমান অসমীয়া, ইংৰাজী, ৰাজনীতি বিজ্ঞান, শিক্ষাতত্ত্ব আৰু উদ্ভিদ বিজ্ঞান বিভাগত পিএইচ.ডি. পাঠ্যক্ৰম চলি আছে।

সমগ্ৰ ভাৰতবৰ্ষত ৰাষ্ট্ৰীয় শিক্ষানীতি-২০২০ কাৰ্যকৰী কৰাৰ বাবে যি তৎপৰতা আৰম্ভ হৈছে তাত নৰ্থ লখিমপুৰ কলেজেও সক্ৰিয়ভাৱে অংশ গ্ৰহণ কৰিছে। বিগত দুটা বছৰৰ প্ৰস্তুতিৰ অন্তত মহাবিদ্যালয়ৰ শৈক্ষিক পৰিষদৰ অনুমোদনক্ৰমে চলিত শিক্ষাবৰ্ষৰপৰা এই নতুন শিক্ষানীতি কাৰ্যকৰী কৰা হৈছে। এতিয়াৰপৰা স্নাতক পৰ্যায়ৰ শিক্ষা চাৰি বছৰীয়া হ'ব। প্ৰত্যেকটো বছৰৰ অন্তত ছাত্ৰ-ছাত্ৰীসকলে অৰ্হতা লাভ কৰিবলৈ সক্ষম হ'ব। উল্লেখযোগ্য যে চলিত শিক্ষাবৰ্ষৰ পৰা সমগ্ৰ ভাৰতৰ নিৰ্বাচিত শিক্ষা প্ৰতিষ্ঠানৰ লগতে নৰ্থ লখিমপুৰ কলেজতো Integrated B.Ed.ৰ পাঠ্যক্ৰম আৰম্ভ হ'ব।

শৈক্ষিক ক্ষেত্ৰখনৰ সমান্তৰালভাৱে মহাবিদ্যালয়খনৰ ছাত্ৰ-ছাত্ৰীসকলে ক্ৰীড়া, সংগীত, সাহিত্য, সংস্কৃতি আদি ক্ষেত্ৰসমূহতো ঈৰ্ষণীয় সফলতা লাভ কৰি আহিছে। ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ যুৱ মহোৎসৱৰ অন্তৰ্গত প্ৰতিযোগিতাসমূহত আমাৰ মহাবিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীসকলে সদায়েই দমনীয় প্ৰদৰ্শন আগবঢ়াই আহিছে। নৰ্থ লখিমপুৰ কলেজ আলোচনীখনে একেৰাহে ষষ্ঠবাৰৰ বাবে যুৱ মহোৎসৱত শ্ৰেষ্ঠ আলোচনীৰ সন্মান লাভ কৰিবলৈ সক্ষম হৈছে। তদুপৰি আন্তঃমহাবিদ্যালয় এথলেটিকচ্ প্ৰতিযোগিতাত আমাৰ দলটোৱে একেৰাহে পঞ্চম বাৰৰ বাবে আৰু হেণ্ডবল প্ৰতিযোগিতাত দ্বিতীয়বাৰৰ বাবে ক্ৰিকেট প্ৰতিযোগিতাত চতুৰ্থ বাৰৰ বাবে শ্ৰেষ্ঠত্ব অৰ্জন কৰিছে। মহাবিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীসকলে বিভিন্ন ৰাজ্যিক স্তৰৰ তৰ্ক আৰু সাহিত্য প্ৰতিযোগিতাত শ্ৰেষ্ঠত্ব অৰ্জন কৰি আমাক গৌৰৱান্বিত কৰি আহিছে।

মহাবিদ্যালয় এখনৰ শিক্ষাৰ মান তথা গুণগত স্তৰ নিৰ্ভৰ কৰে ছাত্ৰ-ছাত্ৰীসকলৰ দক্ষতা বিকাশ তথা তেওঁলোকক নিয়োগযোগ্য কৰি তোলাৰ ওপৰত। দক্ষতাৰ বিকাশ আৰু ছাত্ৰ-ছাত্ৰীসকলক নিয়োগযোগ্য কৰি তোলাত মহাবিদ্যালয়খনে বিগত সময়ছোৱাত গুৰুত্বপূৰ্ণ পদক্ষেপ গ্ৰহণ কৰি আহিছে। পৰম্পৰাগত শিক্ষাৰ সমান্তৰালভাৱে আমি বিভিন্ন ধৰণৰ বৃত্তিমুখী আৰু দক্ষতা বিকাশৰ ক'ৰ্চ সফলতাৰে পৰিচালনা কৰি আছোঁ। মই অত্যন্ত সুখী যে মহাবিদ্যালয়ত এই বৰ্ষৰ পৰা B. Voc. ৰ দুটা পাঠ্যক্ৰম আৰম্ভ হৈছে। তদুপৰি মহাবিদ্যালয়ে NSDC জৰিয়তে Skill Hub শীৰ্ষক পাঠ্যক্ৰম এটাও চলাই আছে। ছাত্ৰ-ছাত্ৰীসকলৰ দক্ষতা বিকাশৰ বাবে মহাবিদ্যালয়খনিয়ে চলাই অহা আনকেইটামান পাঠ্যক্ৰম হৈছে - Yoga Therapy, Disaster Management, Human Rights Education, Gandhian Studies, Women Studies ইত্যাদি। ইয়াৰ উপৰিও মহাবিদ্যালয়খনিত বিভিন্ন বৃত্তিমুখী পাঠ্যক্ৰম যেনে Travel & Tourism, Fish Breeding, Computational Chemistry, Performing Arts, Computer Apllication in Assamese Language আৰু Photography & Video Editing, Food Processing, Beauty and wellness অধ্যয়নৰ সুবিধা আছে। এই পাঠ্যক্ৰমসমূহত অধ্যয়নৰ জৰিয়তে আমাৰ ছাত্ৰ-ছাত্ৰীসকলে নিয়োগ অথবা স্বনিয়োজনৰ সুবিধা লাভ কৰি আহিছে।

মহাবিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীসকলক নিয়োগৰ সুবিধা প্ৰদান তথা সদা বিস্তাৰিত সম্ভাৱনাৰ ক্ষেত্ৰখনৰ সৈতে পৰিচয় কৰাই দিবৰ বাবে মহাবিদ্যালয়খনিত এটা Placement Cell স্থাপন কৰাৰ উপৰিও এজন Placement Officer নিয়োগ কৰা হয়। তেখেতৰ পৰিকল্পনা আৰু ছাত্ৰ-ছাত্ৰীসকলৰ প্ৰতিভাৰ ফলশ্ৰুতিত বিগত সময়ছোৱাত Wipro, TCS, Mahindra & Mahindra, ICICI Prudential ৰ দৰে প্ৰতিষ্ঠানত কেম্পাছ ইণ্টাৰভিউৰ দ্বাৰা মহাবিদ্যালয়ৰ 80 জনৰো অধিক ছাত্ৰ-ছাত্ৰীয়ে অধ্যয়নৰত অৱস্থাতে নিযুক্তি পাবলৈ সক্ষম হৈছে।

মহাবিদ্যালয়খনিৰ মান আৰু প্ৰতিষ্ঠাক প্ৰতিনিধিত্ব কৰি প্ৰতিষ্ঠা কৰা Innovation Cell য়ে বিগত সময়ছোৱাত উল্লেখনীয় সফলতা লাভ কৰিবলৈ সক্ষম হৈছে। ইতিমধ্যে উক্ত কোষটিয়ে MHRD-AICTE ৰ Innovation Cell ৰ এটা অংশ হিচাপে মৰ্যদা লাভ কৰাৰ লগতে ষ্টাৰ ৰান চাৰ্টিফিকেট পাবলৈ সক্ষম হৈছে। এই কোষৰ অধীনতে আমাৰ দুগৰাকী ছাত্ৰৰ উদ্ভাৱন ক্ৰমে ইলেকট্ৰনিক গগনা আৰু ড্ৰোণ প্লেন পেটেণ্টৰ বাবে সংশ্লিষ্ট কৰ্তৃপক্ষলৈ প্ৰেৰণ কৰা হৈছে।

মহাবিদ্যালয়খনত শিক্ষকসকলৰ গৱেষণাৰ এক সুন্দৰ পৰিৱেশ আছে। মহাবিদ্যালয়ত কৰ্মৰত শিক্ষকসকলে বিভিন্ন প্ৰকল্প সফলতাৰে সমাপণ কৰাৰ লগতে গুণসম্পন্ন গৱেষণা পত্ৰ নিয়মীয়াকৈ ৰাষ্ট্ৰীয় আৰু আন্তঃৰাষ্ট্ৰীয় পত্ৰিকাত প্ৰকাশ কৰি আহিছে। মহাবিদ্যালয়ৰ অধ্যক্ষকে ধৰি বাৰজন শিক্ষকৰ গৱেষণাৰ গাইডশ্বিপ আছে আৰু তেখেতলোকৰ অধীনত মুঠ পাঁচজন গৱেষকে সন্মানীয় ডক্টৰেট ডিগ্ৰী লাভ কৰিছে। উল্লেখযোগ্য যে মহাবিদ্যালয়খন ভাৰত চৰকাৰৰ DST ৰ পৰা FIST প্ৰজেক্ট লাভ কৰা অসমৰ একমাত্ৰ মহাবিদ্যালয় হিচাপে পৰিগণিত হৈছে। একেদৰে মহাবিদ্যালয়ৰ আন এটা সন্মানজনক প্ৰকল্প Institutional Biotech Hub য়ে Advanced পৰ্যায়ৰ প্ৰতিষ্ঠা লাভ কৰিছে।

মহাবিদ্যালয়খনৰ সৰ্বাংগীন উন্নয়ণত NCC, NSS, Green Club, KALA Club আদিৰ অৱিহণাও বিভিন্ন সময়ত গুৰুত্বপূৰ্ণ হৈ আহিছে। তদুপৰি সমাজসেৱা আৰু Extension Activity ৰ ক্ষেত্ৰটো মহাবিদ্যালয়খনি পাছ পৰি ৰোৱা নাই।

মহাবিদ্যালয়খনৰ বিভিন্ন ক্ষেত্ৰৰ ঈৰ্ষণীয় সফলতাৰ মূল কাৰণ ইয়াত কৰ্মৰত শিক্ষক-কৰ্মচাৰীসকলৰ নিষ্ঠা আৰু ছাত্ৰ-ছাত্ৰীসকলৰ সততা আৰু দায়বদ্ধতা। আমাৰ বাবে এই সফলতাৰ ধাৰা অক্ষুণ্ণ ৰখাটো এক বৃহৎ প্ৰত্যাহ্বান। আমি আশা কৰোঁ ছাত্ৰ-ছাত্ৰী, শিক্ষক-কৰ্মচাৰী আৰু প্ৰশাসনৰ সহযোগিতা আৰু ঐকান্তিক প্ৰচেষ্টাৰ দ্বাৰা আমাৰ গৌৰৱোজ্জ্বল ইতিহাসৰ ধাৰাবাহিকতা ৰক্ষা কৰাৰ লগতে শক্তিশালী ভৱিষ্যৎ নিৰ্মাণৰ আখৰা কৰিব লাগিব। মহাবিদ্যালয় পৰিয়ালৰ নতুন সদস্যসকলক আমি আহ্বান জনাইছোঁ, নতুন শিক্ষানীতি ২০২০ ৰ 21st Century ৰ Smart Student for smart education system দৰেই তেওঁলোকে যেন নিজৰ প্ৰতিভাৰ উচিত ব্যৱহাৰৰ যোগেদি নিজক তথা মহাবিদ্যালয়খনক সমৃদ্ধ কৰে।

সদৌশেষত নৱাগত ছাত্ৰ-ছাত্ৰীসকলক পুনৰ স্বাগতম জনাইছোঁ। সভাত উপবিষ্ট সকলোলৈকে মোৰ আন্তৰিক ধন্যবাদ জ্ঞাপন কৰিছোঁ। নৱাগত আদৰণী সভাখন যেন সকলো ছাত্ৰ-ছাত্ৰীৰ বাবে তাৎপৰ্যপূৰ্ণ হৈ উঠে সেই আশাৰে মোৰ বক্তব্যৰ সামৰণি মাৰিছোঁ।

ধন্যবাদ।

**ড° বিমান চন্দ্ৰ চেতিয়া**
অধ্যক্ষ
নৰ্থ লখিমপুৰ মহাবিদ্যালয় (স্বায়ত্তশাসিত)

প্ৰথম পৃষ্ঠাৰ পাছৰ পৰা—

# সাধাৰণ সম্পাদকৰ আদৰণি ভাষণৰ পূৰ্ণপাঠ

ছাত্ৰ সমাজৰ এগৰাকী প্ৰতিনিধি হিচাপে আজি এই বিশেষ দিনটোতে আপোনালোকৰ ওচৰত কেইটামান আহ্বান ৰাখিব বিচাৰিম—

(ক) এগৰাকী এন. এলচিয়ান হিচাপে আপোনালোক সকলো অন্য বহুততকৈ পৃথক, স্বকীয় আৰু জীৱনৰ পৰৱৰ্তী পৰ্যায়সমূহতো যাতে আপোনালোকে সেই স্বকীয়তা বৰ্তাই ৰাখে; এয়া আমাৰ প্ৰথমটি আহ্বান।

(খ) দ্বিতীয়তে নৰ্থ লখিমপুৰ কলেজ (স্বাঃ) দেৱদাৰু নগৰী কেৱল এখন গতানুগতিক শৈক্ষিক প্ৰতিষ্ঠানেই নহয়, ই এটা বৃহৎ পৰিয়াল; গতিকে পৰিয়ালৰ একো একোজন সদস্য হিচাপে নিজৰ দায়িত্ব আৰু কৰ্তব্য পালনৰ পৰা আমি যাতে কোনো দিন বিচলিত নহওঁ।

(গ) তৃতীয়তে দেৱদাৰু নগৰীয়ে যে কেৱল শৈক্ষিক ক্ষেত্ৰখনকে প্ৰাধান্য দিয়ে এনে নহয়; শৈক্ষিক ক্ষেত্ৰখনৰ সমান্তৰালভাৱে দেৱদাৰু নগৰীয়ে সমসাময়িক ৰাজনৈতিক, সামাজিক, সাংস্কৃতিক, অৰ্থনৈতিক, ক্ৰীড়া ইত্যাদি ক্ষেত্ৰসমূহকো প্ৰাধান্য দি আহিছে। সেয়েহে আপোনালোকৰ প্ৰতি আহ্বান; আপোনালোকে যাতে নিজৰ প্ৰতিভাসমূহক সুপ্ত অৱস্থাতে নাৰাখে। এইক্ষেত্ৰত দেৱদাৰু নগৰীয়ে এখন উপযুক্ত মঞ্চ নিশ্চয় প্ৰদান কৰিব।

(ঘ) চতুৰ্থতে, সাহসিকতা আৰু নিৰ্ভিকতা এন.এল.চিয়ানৰ প্ৰথম আৰু প্ৰধান বৈশিষ্ট্য। সেয়েহে ভুলবোৰক ভুল আৰু শুদ্ধক শুদ্ধ বুলি কোৱাৰ সাহসিকতা বুকুত গোটাই লৈ অনাগত দিনবোৰত আপোনালোকে যাতে আগবাঢ়ি যায়; এয়া আমাৰ আহ্বান।

(ঙ) পঞ্চমতে, নৰ্থ লখিমৰপুৰ কলেজ (স্বাঃ) ছাত্ৰ একতা সভা ছাত্ৰ সমাজৰ প্ৰতি চিৰদিন দায়বদ্ধ হৈ থাকিব। সেয়েহে আপোনালোকে সমাজৰ আগত নিজৰ মত প্ৰকাশৰ লগতে সমস্যাৰ বিষয়ে অৱগত কৰোৱাৰ ক্ষেত্ৰত যাতে কোনোদিন সংকোচবোধ নকৰে যেন।

সদৌ শেষত, আপোনালোকে যি আশা-আকাংক্ষা, সপোন বুকুত কঢ়িয়াই লৈ সপোনৰ দেৱদাৰু নগৰীত প্ৰৱেশ কৰিছে সেই সকলোবোৰ পূৰ্ণ হওঁক তাকেই কামনা কৰি সভাত উপৱিষ্ট সকলোলৈকে কৃতজ্ঞতা আৰু শ্ৰদ্ধা জ্ঞাপন কৰি আমাৰ এই চমু অভিভাষণ সামৰণি মাৰিছোঁ।

'চিৰদিন একক অনন্য আৰু অদ্বিতীয় ৰূপত জিলিকি থাকক দেৱদাৰু নগৰী।' জয়তো নৰ্থ লখিমপুৰ কলেজ ।। জয়তো নৰ্থ লখিমপুৰ কলেজ ছাত্ৰ একতা সভা।।

**বিদ্যুৎ জ্যোতি কোঁচ**
সাধাৰণ সম্পাদক
ছাত্ৰ একতা সভা (২০২২-২৩)
নৰ্থ লখিমপুৰ কলেজ (স্বাঃ)

# ভূগোল বিভাগৰ উদ্যোগত জাপানৰ দুৰ্যোগ সম্পৰ্কে অন্তৰংগ আলাপ অনুষ্ঠান

**নিজা প্ৰতিবেদক ঃ** ইং ১৩ মাৰ্চ, ২০২৩ তাৰিখে নৰ্থ লখিমপুৰ কলেজ স্বায়ত্তশাসিত ভূগোল বিভাগৰ উদ্যোগত জাপানৰ দুৰ্যোগৰ ওপৰত বিশেষ ব্যক্তিৰ দ্বাৰা এক বক্তৃতা অনুষ্ঠান তথা অন্তৰংগ আলাপ অনুষ্ঠান অনুষ্ঠিত হৈ যায়। মহাবিদ্যালয় ডিজিটেল ক্লাছৰুমত অনলাইন মাধ্যমেৰে সম্পন্ন কৰা হয়। অনুষ্ঠানটিত সমল ব্যক্তি হিচাপে উপস্থিত থাকে জাপানৰ Nara women university ৰ প্ৰবক্তা হাৰোহিচা আচাদা ডাঙৰীয়াই। অনুষ্ঠানত ভূগোল বিভাগৰ ছাত্ৰ-ছাত্ৰীৰ লগতে শিক্ষাগুৰুসকল আৰু "দুৰ্যোগ ব্যৱস্থাপনা" বিভাগৰ ছাত্ৰ-ছাত্ৰীসকলো উপস্থিত থাকে। তেওঁ প্ৰথমে জাপানৰ ভূ-পৃষ্ঠৰ প্ৰাকৃতিক গঠন আৰু জলবায়ু সম্পৰ্কে ছাত্ৰ-ছাত্ৰীসকলক বিস্তৃতভাৱে অৱগত কৰে। ইয়াৰ পিছতেই তেখেতে জাপানৰ কিদৰে "দুৰ্যোগ ব্যৱস্থাপনা" গ্ৰহন কৰিছে তাৰ ওপৰত বিশ্লেষণ আগবঢ়ায়। তেওঁ দুৰ্যোগৰ সৈতে মোকাবিলা কৰিব পৰাকৈ তৈয়াৰ কৰি তোলা জাপানৰ ঘৰ বনোৱাৰ আৰ্হি আৰু বিশেষ সামগ্ৰীসমূহৰ কথাও উল্লেখ কৰে। অনুষ্ঠানত ছাত্ৰ-ছাত্ৰীসকলৰ বিভিন্ন প্ৰশ্নৰ উত্তৰ দিয়াৰ লগতে শিক্ষাগুৰুসকলৰ সৈতেও বাৰ্তালাপ কৰে।

# 'বীৰেন্দ্ৰ কুমাৰ ভট্টাচাৰ্যৰ জীৱন আৰু কৰ্ম' শীৰ্ষক ৰাষ্ট্ৰীয় আলোচনা-চক্ৰৰ প্ৰস্তুতি

**নিজা প্ৰতিবেদক ঃ** অসমৰ বৰেণ্য সাহিত্যিক জ্ঞানপীঠ বিজয়ী বীৰেন্দ্ৰ কুমাৰ ভট্টাচাৰ্যৰ জন্ম শতবৰ্ষৰ লগত সংগতি ৰাখি অহা ইংৰাজী ১৬ অক্টোবৰ,২০২৩ ত এদিনীয়াকৈ চেইণ্ট প'লচ কেথেড্ৰেল মিছন কলেজ (বাংলা বিভাগ) আৰু নৰ্থ লখিমপুৰ কলেজ (অসমীয়া বিভাগ)ৰ যৌথ উদ্যোগত 'ড° বীৰেন্দ্ৰ কুমাৰ ভট্টাচাৰ্যৰ জীৱন আৰু কৰ্ম' শীৰ্ষক এক ৰাষ্ট্ৰীয় আলোচনা-চক্ৰৰ আয়োজন কৰা হৈছে। ভট্টাচাৰ্যৰ জীৱন আৰু কৰ্মৰ বিষয়ে আলোচনা কৰাতো সম্প্ৰতি অতিকে গুৰুত্বপূৰ্ণ। একাধাৰে কবি, গল্পকাৰ, ঔপন্যাসিক, নাট্যকাৰ, সাংবাদিক, স্বাধীনতা সংগ্ৰামী, আলোচনী সম্পাদক আৰু ৰাজনীতিবিদ ভট্টাচাৰ্যৰ সাহিত্যিক অৱদানে অসমীয়া সাহিত্যৰ ভঁৰাল চহকী কৰাই নহয়, অসমীয়া সমাজ জীৱনতো বিশেষ অৱিহণা আগবঢ়াইছিল। তেওঁ জ্ঞানপীঠ বঁটাৰে সন্মানিত প্ৰথমগৰাকী অসমীয়া সাহিত্যিক। ভট্টাচাৰ্যৰ সাহিত্যৰাজিৰ লগতে তেওঁৰ জীৱন দৰ্শন, ব্যক্তিত্ব তথা সেই সময়ত অসমীয়া সমাজ জীৱনৰ বাবে যি কাৰ্য সম্পাদন কৰিছিল সেইবোৰৰ বস্তুনিষ্ঠ গৱেষণা আৰু পৰ্যালোচনা কৰাৰ সাম্প্ৰতিক সময়ত অধিক অৱকাশ আছে। জন্ম জয়ন্তীৰ শতবৰ্ষ গৰকা ভট্টাচাৰ্যৰ জীৱন আৰু কৰ্মৰ পৰ্যালোচনাই আমাক আৰু অধিক নতুন নতুন দিশৰ বাট কাটি দিব। উক্ত অনুষ্ঠানতে দুয়োখন কলেজৰ উদ্যোগত প্ৰকাশিতব্য 'ভাৰত উপমহাদেশৰ ভক্তি সাহিত্য' নামৰ এখন গৱেষণামূলক গ্ৰন্থও উন্মোচন কৰা হ'ব। ইতিপূৰ্বে দুয়োখন কলেজৰ উদ্যোগত দুখনকৈ ৰাষ্ট্ৰীয় পৰ্যায়ৰ আৰু এখন আন্তঃৰাষ্ট্ৰীয় আলোচনা-চক্ৰ অনুষ্ঠিত হৈ গৈছে। এইবাৰৰ আলোচনা-চক্ৰখনো তেনে প্ৰচেষ্টাৰে অংশ। সাৰাংশ প্ৰেৰণ কৰাৰ অন্তিম তাৰিখ ৩০ ছেপ্টেম্বৰ, ২০২৩। পঞ্জীয়নৰ অন্তিম তাৰিখ ১০ অক্টোবৰ, ২০২৩। সবিশেষ জানিবৰ বাবে আগ্ৰহীসকলে কলেজ ৱেবছাইটত থকা জাননী চাব পাৰিব।

প্ৰথম পৃষ্ঠাৰ পাছৰ পৰা—

## কলকাতাত আন্তঃৰাষ্ট্ৰীয় আলোচনা-চক্ৰ

ৰাভা আৰু ভাৰতীয় সংস্কৃতি' আৰু ড° অৰবিন্দ ৰাজখোৱা সম্পাদিত 'পদ্মনাথ গোহাঞিবৰুৱা, হেমচন্দ্ৰ গোস্বামী আৰু পানীন্দ্ৰনাথ গগৈ ঃ জীৱন আৰু কৰ্ম' নামৰ গ্ৰন্থ দুখনো উন্মোচন কৰা হয়। উক্ত তিনিওখন গ্ৰন্থ দুয়োখন কলেজৰ সহযোগত নৰ্থ লখিমপুৰ কলেজ প্ৰকাশনে প্ৰকাশ কৰিছে। ড° শেখ মকবুল ইছলামৰ 'কাৰ্বি ডিচকোৰ্চ ঃ ৰংবং তেৰাঙৰ নিৰ্বাচিত প্ৰবন্ধ ঃ সাহিত্যতাত্ত্বিক বোধান্বয়ন' আৰু 'শ্ৰীমদ্ভগবদ্‌গীতা ঃ গৌড়ীয় ভাষ্য' নামৰ ক্ৰমে অসমীয়া আৰু বাংলা ভাষাত লিখা গ্ৰন্থ দুখনো উন্মোচন কৰা হয়। 'বংগ-অসম সাংস্কৃতিক বিনিময়' শীৰ্ষক এটি নাতিদীৰ্ঘ সাংস্কৃতিক অনুষ্ঠানো প্ৰেক্ষাগৃহৰ মঞ্চত পৰিৱেশিত হয়। অভিক বন্দোপাধ্যায়ে ভজন, অমৃতা চৰকাৰে ওড়িচি নৃত্য, অব্যক্ত নিৰ্বাণ ৰাজখোৱা আৰু তেওঁৰ সংগীসকলে জিকিৰ আৰু গোৱালপৰীয়া লোকগীত, সঞ্চিতা ভূএগাই সত্ৰীয়া নৃত্য, হিয়া দাসে লোকনৃত্য, শাৰদী জোনাক শইকীয়া আৰু সংগীসকলে সত্ৰীয়া নৃত্য প্ৰেৰণা চমুৱাই বৰগীত আৰু পৰাগজ্যোতি গগৈয়ে ভজন পৰিৱেশন কৰে। মুনমী দত্ত আৰু ড° প্ৰমা পাল এই অনুষ্ঠানৰ সমন্বয়কৰ দায়িত্বত আছিল।

প্ৰথমটো দিনৰ আলোচনা-চক্ৰ মুঠতে ওঠৰটা কাৰিকৰী সত্ৰত অনুষ্ঠিত হয়। প্ৰত্যেক সত্ৰত পাঁচৰপৰা দহগৰাকীকৈ ব্যক্তিয়ে গৱেষণা-পত্ৰ উপস্থাপন কৰে। দ্বিতীয় দিনাৰ কাৰিকৰী সত্ৰসমূহ অনুষ্ঠিত হয় কলকাতাৰ বাগবাজাৰস্থিত শ্ৰীচৈতন্য গৌড়ীয় মঠৰ প্ৰেক্ষাগৃহত। 'মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱ আৰু শ্ৰীশ্ৰী মাধৱদেৱ' শীৰ্ষক এটি বিশেষ কাৰিকৰী সত্ৰ উক্ত মঠৰ প্ৰেক্ষাগহত অনুষ্ঠিত হয়। ভাৰতবৰ্ষৰ বিভিন্ন ৰাজ্যৰপৰা আৰু বিদেশৰপৰা অহা গৱেষকসকলে এই আন্তঃৰাষ্ট্ৰীয় আলোচনা-চক্ৰক ফলপ্ৰসু আৰু সফল হৈছে বুলি মত প্ৰকাশ কৰে। এনেধৰণৰ আলোচনা-চক্ৰই যে ঐক্য আৰু ভ্ৰাতৃত্ববোধ বৃদ্ধি কৰে সেয়া উপলব্ধি কৰা বুলি বাংলাদেশ আৰু থাইলেণ্ডৰ প্ৰতিনিধিসকলে কয়। নৰ্থ লখিমপুৰ কলেজৰ অসমীয়া বিভাগ আৰু ছেইণ্ট প'লচ কলেজৰ বাংলা বিভাগে বিগত প্ৰায় পাঁচ বছৰজুৰি এনেধৰণৰ কাৰ্যসূচীৰ যোগেদি সমন্বয় শক্তিশালী কৰাৰ যত্ন কৰি আহিছে।

কাৰ্যালয়
গ্ৰন্থালয়, নৰ্থ লখিমপুৰ মহাবিদ্যালয় প্ৰকাশন, খেলমাটি, লখিমপুৰ-৭৮৭০৩১, ফোন ঃ ৯৪৩৫১-৮৯১৭৪

উপদেষ্টা ঃ ড° বিমান চন্দ্ৰ চেতিয়া | মুখ্য সম্পাদক ঃ ড° অৰবিন্দ ৰাজখোৱা | সম্পাদক ঃ ড° ধীৰাজ পাটৰ | সহ সম্পাদক ঃ ধৰিত্ৰী বৰুৱা

নৱাগত আদৰণি সভাৰ প্ৰকাশন সমিতি ঃ ড° মৌচুমী চেতিয়া (সভাপতি), ড° ধীৰাজ পাটৰ (সমন্বয়ক), সদস্যসকল ঃ ড° ৰূপাঞ্জলি মৰাং, অতনু গগৈ, ড° ভৰজিৎ ভূএগ, ড° বিন্দা চাহ, ড° ৰাতুল কুমাৰ লাহন, ড° পাৰমিতা ফুকন, ৰূপশ্ৰী ভূএগ, ড° অমৰেশ বৰুৱা, দীক্ষিতা কাকতি, প্ৰকাশজ্যোতি শইকীয়া, ফাৰমিন জামান হুছেইন, নাদিয়া চুলতানা, ধৰিত্ৰী বৰুৱা

*নৰ্থ লখিমপুৰ মহাবিদ্যালয় প্ৰকাশন সমিতিৰ হৈ শৰাইঘাট অফছেট প্ৰেছ, গুৱাহাটীত মুদ্ৰিত আৰু নৰ্থ লখিমপুৰ মহাবিদ্যালয় প্ৰকাশন সমিতিৰদ্বাৰা প্ৰকাশিত*